# প্ৰথম অধ্যায়

# লক্ষ্মীনাথ ফুকনৰ জীৱন আৰু সাহিত্য

লক্ষ্মীনাথ ফুকন অসমীয়া সাহিত্যৰ এটি চিনাকি নাম। সাংবাদিকতাকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিলেও তাৰ মাজতে লিখি উলিওৱা গল্প, কবিতা, উপন্যাস, প্ৰবন্ধ আদিয়ে তেওঁৰ সাহিত্যক প্ৰতিভাক প্ৰতিভাত কৰিছে। তেওঁৰ জীৱন কাল নানান সমস্যা-সংঘাতেৰে পৰিপূৰ্ণ; তথাপি সকলো বাধা-বিপত্তি অতিক্ৰম কৰি নিজৰ প্ৰতিষ্ঠাৰ বাট তেওঁ নিজে কাটি ল'ব পাৰিছে। গভীৰ অধ্যয়নপুষ্ট হোৱা বাবে অধ্যয়নৰ পৰিমণ্ডলে গঢ় দিয়া বিশাল মানৱতাবোধ হৈ পৰিছে তেওঁৰ চৰিত্ৰ গঠনৰ সহায়ক। আদি জীৱনৰ অস্থিৰতাক জীৱনৰ চিৰন্তন স্থায়িত্বলৈ ৰূপান্তৰিত কৰিব পৰা গুণেৰে তেওঁ হৈ পৰিছে গুণযুক্ত। কৰ্মৰ ওপৰত থকা আস্থা আৰু বিশ্বাসৰ বাবে তেওঁ হৈছে সঁচা কৰ্মযোগী। হাতত লোৱা সকলো কাম সমাপনৰ ক্ষেত্ৰত তেওঁ যেন সদায়েই দায়বদ্ধ। মানুহৰ চাৰিত্ৰিক দিশটোৰ প্ৰতি তেওঁৰ যি প্ৰখৰ দৃষ্টি; তাৰ জৰিয়তে তেওঁ লিখি উলিয়াইছে প্ৰবন্ধ, কবিতা, গীত, চুটিগল্প আৰু উপন্যাস আদি। ক'ব পাৰি যে সাংবাদিকতাৰ ব্যস্ততা নাথাকিলে হয়তো অসমীয়া সাহিত্যই আৰু ভালেখিনি ৰচনা পালেহেঁতেন। তথাপি তেওঁৰ দ্বাৰা ৰচিত সাহিত্য সমলেৰে অসমীয়া চুটিগল্পৰ ভঁৰালত লক্ষ্মীনাথ ফুকন এগৰাকী মৰ্যাদাসম্পন্ন সচেতন লিখক।

## ১.১ লক্ষ্মীনাথ ফুকনৰ জীৱন

অসমৰ যোৰহাট জিলাৰ দেৰগাঁও অঞ্চলৰ 'চকিয়াল চুক'ত ইংৰাজী ১৮৯৪ চনৰ ২৯ জানুৱাৰীত লক্ষ্মীনাথ ফুকনৰ জন্ম হয়। জন্মদিন প্ৰসঙ্গত মতভেদ থকা দেখা যায় যদিও লক্ষ্মীনাথ ফুকনে নিজে লিখি থোৱা মতে জন্মৰ দিন হ'ল ১৯১৬ শকৰ ১৬ মাঘ। তেওঁৰ পিতৃৰ নাম কাৰ্ত্তিক চন্দ্ৰ ফুকন আৰু মাতৃৰ নাম দশমী। কাৰ্ত্তিক চন্দ্ৰ ফুকনে সংস্কৃত আৰু অসমীয়াৰ উপৰিও ইংৰাজী জনা ব্যক্তি আছিল। তেওঁ জীৱনৰ আদি ভাগত পোষ্ট মাষ্টৰ আৰু পৰৱৰ্তী ভাগত শিক্ষকতা কৰিছিল। মাতৃ দশমী অতিশয় ধৈৰ্য পৰায়না, সহিষ্ণু আৰু নাৰীসুলভ সকলো গুণৰ অধিকাৰী

মহিলা আছিল। এনেহেন পিতৃ-মাতৃৰ প্ৰথম সন্তান হ'ল লক্ষ্মীনাথ ফুকন। বাকী কেইজন ভাতৃ ক্ৰমে কীৰ্ত্তিনাথ ফুকন, অনন্ত ফুকন আৰু বংশী ফুকন।

আহোমৰ ৰাজকীয় পৃষ্ঠপোষকতাত লক্ষ্মীনাথ ফুকনৰ পূৰ্বপুৰুষ 'জুৰনে' ফুকন উপাধি লাভ কৰে। আকৌ মানৰ আক্ৰমনৰ সময়ত মানৰ কোঠ আৰু চোংবোৰ বৃটিছক দেখুৱাই দি ১৩৩২ পুৰা ৩ হালচা ১৭ লেচা মাটিৰ মৌজাদাৰিত্ব অৰ্জন কৰে। এই জুৰন ফুকনৰে পুত্ৰ নাৰায়ণ ফুকন। মনিৰাম দেৱানৰ পত্ৰ গোপনে সৰবৰাহ কৰাৰ অপৰাধত নাৰায়ণ ফুকনে জেল খাটিবলগীয়াত পৰে। জেলৰ পৰা মুক্তি পালেও উভতি আহি ঘৰ নৌপাওঁতেই বৃটিছৰ দ্বাৰা নাৰায়ণ ফুকনৰ স্থাৱৰ-অস্থাৱৰ সকলো সম্পত্তি বাজেয়াপ্ত হয়। এই ঘটনাত অত্যন্ত দুখী হোৱা নাৰায়ণ ফুকনে বৈৰাগী বেশ ধাৰণ কৰি সেই ঠাই ত্যাগ কৰে। নাৰায়ণ ফুকন নিখোজ হোৱাৰ পাচত তেওঁৰ পত্নীয়ে একমাত্ৰ সন্তানটোক লগত লৈ মাতৃগৃহ দেৰগাঁৱলৈ উভতি আহে। দেৰগাঁৱতে কাৰ্ত্তিক ফুকনৰ জন্ম হয় আৰু ডাঙৰ-দীঘল হয়। উপযুক্ত বয়স হোৱাত কাৰ্ত্তিক ফুকনৰ বিবাহকাৰ্য সম্পন্ন হয় আৰু তাৰ ফলশ্ৰুতিত জন্ম পায় ক্ৰমান্বয়ে লক্ষ্মীনাথ ফুকন, কীৰ্ত্তিনাথ ফুকন, অনন্ত ফুকন আৰু বংশী ফুকন।

জুৰন ফুকনৰ আগতে এই বংশটো 'বৰবৰা' উপাধিৰে জনাজাত আছিল। উজাই গ'লে এই বংশটো বাৰভূঞা পূৰ্ণানন্দগিৰিৰ পৰা বঢ়া। *"পূৰ্ণানন্দৰ পুত্ৰ গৰা, গৰাৰ পুত্ৰ পৰমানন্দ, পৰমানন্দৰ পুত্ৰ কাৰ্ত্তিক, কাৰ্ত্তিকৰ পুত্ৰ আবেথা, আবেথাৰ পুত্ৰ ৰাম, ৰামৰ পুত্ৰ সুৰথ, সুৰথৰ পুত্ৰ সৰুমন, সৰুমনৰ পুত্ৰ কৃষ্ণৰাম। কৃষ্ণৰামৰ পাঁচজন পুত্ৰ ক্ৰমে জুৰন, জগন্নাথ, চিত্ৰসেন, ৰুদ্ৰাম আৰু মায়াৰাম। ইয়াৰে জুৰনৰ পুত্ৰ নাৰায়ণ, নাৰায়ণৰ পুত্ৰ কাৰ্ত্তিক, কাৰ্ত্তিকৰ পুত্ৰ লক্ষ্মীনাথ, কীৰ্ত্তিনাথ, অনন্ত আৰু বংশী।"*[১] লক্ষ্মীনাথ ফুকনৰ চাৰিপুত্ৰ ক্ৰমে- জগদীশ, প্ৰফুল্ল, অৰবিন্দ আৰু অনিল। উল্লেখ্য যে পূৰ্বপুৰুষ জুৰনৰ পৰা আগৰখিনিৰ উপাধি 'বৰবৰা' আৰু পাচৰখিনিৰ উপাধি 'ফুকন' হোৱা পৰিলক্ষিত হয়।

লক্ষ্মীনাথ ফুকন আছিল বাৰভূঞা বংশৰ। তেওঁ বিবাহ কৰাইছিল মজিন্দাৰ পৰিয়ালৰ শ্ৰীনাথ বৰুৱাৰ কন্যা নলিনীপ্ৰভাক। এই বিবাহ কাৰ্য সম্পন্ন হৈছিল ১৯২২ চনত। লক্ষ্মীনাথ ফুকনৰ শহুৰদেউতা পুলিচ ইন্সপেক্টৰ আৰু শাহু আই শিক্ষাৰ প্ৰতি ধাউতি থকা বিদুষী মহিলা

---

১। জগদীশ ফুকন, 'পৰিয়ালৰ পম খুঁচৰি পৰ্তাল', লক্ষ্মীনাথ ফুকনৰ জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ, সম্পা., প্ৰফুল্ল চন্দ্ৰ বৰা, পৃ. ৪৭

আছিল। স্বামীৰ মৃত্যুৰ পিছত তেওঁ *"তাঁতশালত ফুলাম ৰিহা-মেখেলা বৈ তাক বিক্ৰী কৰিয়েই বৰপুত্ৰক কলিকতাত চিকিৎসা বিজ্ঞান পঢ়াত সহায়"*[২] কৰিছিল। এইহেন কৰ্মঠ মহিলাৰ কন্যা নলিনীপ্ৰভা। নলিনীপ্ৰভাৰো শিক্ষাৰ প্ৰতি ধাউতি আছিল প্ৰবল। সেয়েহে, সেই সময়তে তেওঁ লিখি উলিয়াই 'প্ৰসৱৰ সময়ত লাগতিয়াল কথা' (১৯৪৫) আৰু সহজ 'মিড্‌ওৱাইফেৰী শিক্ষা' নামৰ দুখন পুথি। সময় পালেই অসমীয়া আৰু বাংলা কিতাপ পঢ়ি ভালপোৱা এইগৰাকী মহিলাই নিজৰ কম শিক্ষা (নৰম মান শ্ৰেণী)ৰ বাবে ডাক্তৰী পঢ়িব নোৱাৰিলে; যদিও কলিকতাৰ 'ডাফ্‌ৰিন হাস্পাতাল'ত প্ৰসূতি বিজ্ঞান আৰু দিল্লীৰ 'চিকিৎসা পলিটেক্‌নিকত' স্বাস্থ্য পৰিদৰ্শিকাৰ শিক্ষা লাভ কৰিছিল। এই শিক্ষা লাভ কৰি তেওঁ তৃতীয় দশকৰ মাজভাগ প্ৰায় ১৯২৫-২৬ চনত যোৰহাটৰ বিষ্ণুৰাম বৰুৱা হাস্পাতালত 'মিডওৱাইফ'ৰ চাকৰি লাভ কৰিছিল। এই চাকৰি কাল মাত্ৰ দহ বছৰ যদিও ১৯৪৬ চন পৰ্যন্ত তেওঁ প্ৰাইভেট প্ৰেকটিচ্‌ অব্যাহত ৰাখিছিল। উল্লেখ্য যে, এই সময়ছোৱাত কৰ্মসূত্ৰে লক্ষ্মীনাথ ফুকন বংগদেশত আৰু নলিনীপ্ৰভা থাকিবলগীয়া হৈছিল যোৰহাটত। গতিকে, এই কথাই দুয়োৰে মাজত পাৰিবাৰিক সংঘাটৰ সূচনা কৰিছিল। অৱশ্যে ১৯৩৯ চনত লক্ষ্মীনাথ ফুকনে 'আসাম ট্ৰিবিউন'ৰ সম্পাদকৰ দায়িত্ব ল'বলৈ অসমলৈ অহাৰ লগে লগে দুয়োৰে পাৰিবাৰিক সম্বন্ধ পুনৰ স্বাভাৱিক হ'বলৈ আৰম্ভ কৰিছিল।

লক্ষ্মীনাথ ফুকন আৰু নলিনীপ্ৰভাৰ সাংসাৰিক জীৱনৰ সাক্ষী হিচাপে প্ৰথম সন্তান জগদীশ ফুকন (ইংৰাজ কোম্পানীৰ প্ৰথম জনসংযোগ বিষয়া)ৰ জন্ম হয়। ইয়াৰ পিছত ক্ৰমে দ্বিতীয় সন্তান প্ৰফুল্ল ফুকন (দেশী-বিদেশী চাহ বাগিচাত মেনেজাৰ), তৃতীয় সন্তান অৰবিন্দ ফুকন (আমেৰিকান বিজ্ঞাপন কোম্পানীৰ বিষয়া) আৰু চতুৰ্থ সন্তান অনিল ফুকন (চিকিৎসক)ৰ জন্ম হয়। অৱশ্যে চাৰি পুত্ৰই ইতিমধ্যে ইহ সংসাৰ ত্যাগ কৰাৰ কথা জানিব পৰা গৈছে।

লক্ষ্মীনাথ ফুকনে জীৱনৰ শেষ বয়সত লিখি উলিওৱা উপন্যাসখন হ'ল 'নিশাৰ পুৱতি সুৰ' (১৯৭৩)। ইয়াৰ পিছতে তেওঁ লিখা মেলা কমাই আনিছিল। বয়স বঢ়াৰ লগে লগে বাঢ়ি অহা শাৰীৰিক জড়গ্ৰস্থতাই তেওঁক বৰ আমনি কৰিছিল। আনৰ সহায় নোলোৱাকৈ ১৯৭২ চন পৰ্যন্ত উঠি লৰৰি ফুৰিছিল যদিও বয়সৰ হেঁচাত পৰি পিছৰফালে তেওঁ প্ৰায় শয্যাশায়ী হ'ব লগা হৈছিল। শৰীৰৰ এনে অৱস্থাই ফুকনক সঘনাই আহুকালত পেলাব ধৰিছিল। শেষলৈ এনে হ'ব ধৰিলে যে

২। হোমেন বৰগোহাঞিঃ (সম্পা.), আধুনিক গল্প সংকলন, পৃ. ৯৫

মনৰ জোৰত কথা ক'ব খোজে যদিও মাজে মাজে প্ৰায়ে তেওঁ ভাগৰি পৰিবলৈ ধৰিলে। এনেকৈয়ে, বাৰ্ধক্যজনিত ৰোগত পৰি লিখক-সাংবাদিক লক্ষ্মীনাথ ফুকনে ১৯৭৫ চনৰ ৪ এপ্ৰিলত ৮১ বছৰীয়া জীৱন নাটৰ সামৰণি পেলায়।

## ১.২ শিক্ষা আৰু কৰ্মজীৱন

লক্ষ্মীনাথ ফুকনৰ বাল্যকাল দেৰগাঁৱতে পাৰ হয়। দেউতাক কাৰ্ত্তিক চন্দ্ৰ ফুকনৰ যত্নত লক্ষ্মীনাথ ফুকনে ঘৰত থাকিয়ে ইংৰাজী আৰু অসমীয়াৰ শিক্ষা লাভ কৰে। ইংৰাজী আৰু অসমীয়াৰ জ্ঞান কিছু আয়ত্ব হোৱাৰ পিছত দেউতাকে তেওঁক স্থানীয় বেজবৰুৱা স্কুলত ১৮৯৭ চনত নাম লিখাই দিয়ে। উক্ত স্কুলখনত তলৰ পাঁচটা শ্ৰেণীহে আছিল বাবে হাইস্কুলীয়া শিক্ষা লাভৰ উদ্দেশ্যে লক্ষ্মীনাথ ফুকনে গোলাঘাটৰ বেজবৰুৱা হাইস্কুলত ১৯১০ চনত নাম লগাই লয়। তেতিয়াৰ বেজবৰুৱা হাইস্কুলৰ প্ৰধান শিক্ষক আছিল শ্ৰীনাথ বৰুৱা আৰু স্কুলৰ প্ৰতিষ্ঠাপক আছিল গোবিন্দ বেজবৰুৱা। দেৰগাঁও, গোলাঘাট আৰু যোৰহাটৰ চাৰিগাৱঁকে ধৰি মুঠ পাঁচ ঠাইত স্কুল স্থাপন কৰি বেজবৰুৱাই সেই সকলোবোৰৰ পৃষ্ঠপোষকতা কৰিছিল।

গোবিন্দ বেজবৰুৱা শিক্ষা সচেতন ব্যক্তি আছিল। নিজে স্থাপন কৰা স্কুলবোৰ তেওঁ নিজে পৰিদৰ্শন কৰিছিল। পৰিদৰ্শনৰ বাবে আহিবৰ দিনাখন স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে থিয় হৈ সন্মান প্ৰদৰ্শন কৰা, আদেশ বা নিৰ্দেশ পালেহে নিজৰ আসন গ্ৰহণ কৰা, পৰীক্ষা দিলেহে প্ৰমোচন লাভ কৰা আদি সেই সময়ৰ নিত্য নৈমিত্তিক কৰ্ম আছিল। এনে এটা পৰীক্ষাতে প্ৰমোচন পায় লক্ষ্মীনাথ ফুকনে হেনো নিজকে অভিভাৱকহীন অনুভৱ কৰিছিল। ১৯১১ চনত যোৰহাট গৱৰ্ণমেণ্ট স্কুলৰ প্ৰধান শিক্ষকৰ অভিভাৱকত্ব মানি ফুকনে উক্ত স্কুলৰ ওপৰৰ শ্ৰেণীত নাম লগাই লয়। সেই সময়ত স্কুল ভ্ৰমণৰ বাবে পূৰ্ববঙ্গ আৰু অসমৰ দুৰলীয়া লাট চাহাব অহাটো নিয়ম আছিল। লাট চাহাব আহিবৰ দিনাখন আন ছাত্ৰ-ছাত্ৰীৰ লগতে লক্ষ্মীনাথ ফুকনে চাহাবক আদৰিবলৈ আলিৰ দাঁতিত থিয় দিব লাগিছিল। চাহাবক আদৰা সহপাঠীসকলৰ ভিতৰত নকুল চন্দ্ৰ ভূঞা, কৃষ্ণ কান্ত সন্দিকৈ আৰু মিত্ৰদেৱ মহন্ত আছিল অন্যতম।

লক্ষ্মীনাথ ফুকনে "১৯১২-১৩ *চনত মেট্ৰিকুলেচন পৰীক্ষাত উত্তীৰ্ণ*"[৩] হয়। অৱশ্যে

৩। জগদীশ ফুকন, 'পৰিয়ালৰ পম খুঁচৰি পৰ্তাল', লক্ষ্মীনাথ ফুকন জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ্য, সম্পা., প্ৰফুল্ল চন্দ্ৰ বৰা, পৃ. ১১২

*“১৯১৪ চনত দ্বিতীয় বিভাগত মেট্রিকুলেচন পাছ”*[৪] কৰা বুলি কোনোৱে ক'ব খোজে; কিন্তু দেখা যায়, ১৯১১ চনত দশম শ্ৰেণীলৈ উত্তীৰ্ণ হ'লে পৰৱৰ্তী ১৯১২-১৩ চনত মেট্রিক পৰীক্ষা দিয়াটোহে সম্ভৱ। যা হওঁক, মেট্রিক পৰীক্ষাত উত্তীৰ্ণ হৈয়ো আৰ্থিক দুৰৱস্থাৰ হেতু লক্ষ্মীনাথ ফুকনে কলেজত নাম ভৰ্ত্তি কৰিব নোৱাৰিলে। গতিকে *“পাৰিলে অহা বছৰ যাম বুলি মনতে পাঙি”*[৫] লক্ষ্মীনাথ ফুকনে যোৰহাটতে দিন অতিবাহিত কৰিবলৈ ধৰিলে। ইয়াৰ পিছৰ বছৰ অৰ্থাৎ ১৯১৫-১৬ চনত পুনৰ পঢ়াৰ মন কৰি তেওঁ কলিকতালৈ যাত্ৰা কৰে। কলিকতাত একালৰ সহপাঠী কৃষ্ণকান্ত সন্দিকৈৰ লগতে থকাৰ বন্দৱস্ত কৰি ফুকনে অধ্যয়নৰ বাবে কলিকতাৰ ‘ইম্পেৰিয়েল লাইব্ৰেৰী’লৈ অহা-যোৱা কৰিবলৈ ধৰে। দৰাচলতে লাইব্ৰেৰীৰ সৈতে তেওঁক সম্পৰ্ক গঢ়াত সহায় কৰি দিয়ে কৃষ্ণকান্ত সন্দিকৈয়ে। তাত থকা কালছোৱাত কলেজৰ সকলো পঢ়া-শুনালৈ পিঠি দি লক্ষ্মীনাথ ফুকনে পুথিভঁৰালত অধ্যয়ন, সভা-সমিতি শ্ৰৱণ আৰু থিয়েটাৰ দৰ্শনতে মনোনিৱেশ কৰি দিন অতিবাহিত কৰিবলৈ ধৰে।

ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে লক্ষ্মীনাথ ফুকনে মেট্রিকুলেচন পৰীক্ষাত উত্তীৰ্ণ হয় ১৯১২-১৩ চনত। মেট্রিকত উত্তীৰ্ণ হৈ অনাই-বনাই ঘুৰি ফুৰোঁতে গোবিন্দ বেজবৰুৱাৰ মালিকীস্বত্বৰ স্কুল এখনত চাকৰি ওলোৱা বুলি তেঁও জানিব পাৰিলে। খবৰ পোৱা মাত্ৰকে তেওঁ গোবিন্দ বেজবৰুৱাক লগ ধৰাত, যাৱতীয় নিয়মখিনি সমাপন কৰি বেজবৰুৱাই ততাতৈয়াকৈ ইংৰাজীত নিয়োগ পত্ৰ এখন লিখি ফুকনক প্ৰদান কৰে। ইয়াৰ লগে লগে লক্ষ্মীনাথ ফুকন দেৰগাঁও ইংৰাজী স্কুলৰ কুৰি টকীয়া শিক্ষক হৈ পৰে। এয়াই সঁচা অৰ্থত কৰ্মজীৱনৰ আৰম্ভণি। অৱশে এই বৃত্তিৰ সতে তেওঁৰ এবছৰ পূৰ্ণ হ'বলৈ নাপালে। জনামতে উক্ত বছৰৰ শেষৰ ফালে যোৰহাটত হ'বলগীয়া নাটকত অভিনয় কৰিবলৈ গৈ কামৰ ধামখুমিয়াত ফুকনে হেনো মালিক গোবিন্দ বেজবৰুৱাক মাত লগাব নোৱাৰিলে। উক্ত কথাতে বেজাৰ পায় বেজবৰুৱাই লক্ষ্মীনাথ ফুকনক হেনো কিবা কিবি ক'লে আৰু খঙৰ ভমকত ফুকনেও ওলোতাই কিছু কথা কৈ তৎক্ষণাৎ সেই কাম ইস্তাফা দিলে। এনেদৰে জীৱনৰ প্ৰথম চাকৰিৰ পৰা এৰা পৰি লক্ষ্মীনাথ ফুকনে ১৯১৫ চনত ডিব্ৰুগড়ৰ ‘জৰ্জ ইনষ্টিটিউট’ত দ্বিতীয়বাৰৰ বাবে শিক্ষকৰ চাকৰি এটিত যোগদান কৰে। ‘জৰ্জ ইনষ্টিটিউট’ৰ

৪। কিৰণ ফুকন, ‘শহুৰ দেউতাৰ জীৱনৰ কথা’, লক্ষ্মীনাথ ফুকন সোঁৱৰণী গ্ৰন্থ, সম্পা., উপেন্দ্ৰ বৰকটকী, পৃ. ১৪৩

৫। লক্ষ্মীনাথ ফুকন, ‘মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ’, পৃ. ১৩৩

তেতিয়াৰ প্ৰধান শিক্ষক আছিল ককা নীলমনি ফুকন। এইখিনিতে লক্ষ্মীনাথ ফুকনৰ কৰ্মজীৱন এক প্ৰকাৰ ভ্ৰাম্যমান জীৱন হ'বলৈ ধৰে। শিক্ষকতাৰ চাকৰি এৰি দি ফুকনে ১৯১৭ চনত কলিকতালৈ যাত্ৰা কৰে আৰু 'অমৃতবাজাৰ পত্ৰিকা'ত শিক্ষানবিচৰ কামত যোগ দিয়ে। বছৰ পূৰ নৌহওঁতে সেই কাম এৰি ডিব্ৰুগড়লৈ উভতি আহে আৰু ডিব্ৰুগড়ৰ পৰা ওলোৱা 'অসমীয়া' (১৯১৮) আলোচনীখনত মেনেজাৰ হিচাপে কামত যোগ দিয়ে। মেনেজাৰ বুলিলেও সেয়া আচলতে মাহে ৩৫ টকীয়া কেৰাণীহে আছিল। এনেতে ইনফ্লুয়েঞ্জাত পৰি তেওঁ 'অসমীয়া' আলোচনীৰ কাম এৰি দিব লগাত পৰে। ১৯২১ চনত ককা নীলমনি ফুকন 'অসমীয়া'ৰ স্বত্বাধিকাৰী হোৱাত, লক্ষ্মীনাথ ফুকনে পুনৰায় উক্ত আলোচনীৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। এই আলোচনীৰ পৰা এৰা দি তেওঁ ১৯২৩ চনত 'টাইমচ্ অব আসাম' (Times of Assam) ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। উল্লেখ্য যে উক্ত আঠাইশ বছৰীয়া 'টাইমচ্ অব আসাম'ৰ বাবে সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰা লক্ষ্মীনাথ ফুকনৰ বয়সো তেতিয়া আঠাইশ বছৰ। এই ক্ষেত্ৰত তেওঁ কৈছে- *"চাংকাকতীৰ মৃত্যুৰ লগে লগে আঠাইশ বছৰীয়া মই আঠাইশ বছৰীয়া 'টাইমচ অব আসাম'ৰ সম্পাদক হলোঁ।"*[৬] মন কৰিবলগীয়া যে 'টাইমচ্ অব আসাম' আছিল অসমৰ প্ৰথম সাদিনীয়া ইংৰাজী কাকত। কিছুদিনৰ পিছত এইখনৰো সম্পাদনাৰ দায়িত্ব বাদ দি তেওঁ ১৯২৪ চনত 'ষ্টেটচমেন' এচ'চিয়েটেড প্ৰেছৰ সংবাদাতা হিচাপে যোগ দিয়ে। ১৯২৬ চনত এই ক্ষেত্ৰ ত্যাগ কৰি অসমৰ সাংবাদিকতাৰ পৰা আঁতৰি তেওঁ কলিকতালৈ যাত্ৰা কৰে। তেতিয়াৰ কলিকতাৰ জনপ্ৰিয় কাকত আছিল 'ফৰৱাৰ্ড'। উক্ত 'ফৰৱাৰ্ড'ত এবছৰ কাম কৰি তেওঁ অসমলৈ পুনৰ উভতি আহে আৰু পূৰ্বৰে পৰা চলমান 'অসমীয়া' কাকতখনত সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। পৰৱৰ্তী ১৯৩০ চনলৈকে অৰ্থাৎ 'অসমীয়া' তিনিদিনীয়া হোৱালৈকে লক্ষ্মীনাথ ফুকনে উক্ত কাকতৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। তেতিয়াৰ দিনত কাকত সম্পাদনাৰে জীৱন নিৰ্বাহ কৰাটো ডাঙৰ প্ৰত্যাহ্বান আছিল। সেই সময়তে সাংসাৰিক জনবৃদ্ধিয়ে তেওঁক আৰ্থিক অসুবিধাত পেলাবলৈ ধৰে। আনকি নেৰানেপেৰা কষ্ট কৰি হ'লেও একে সময়তে কাকত আৰু সংসাৰৰ সকলো দায়িত্ব চম্ভালিবলৈ তেওঁ অসম্ভৱ যেন বোধ কৰিবলৈ ধৰে। এনেতে শিৱপ্ৰসাদ বৰুৱাৰ পৃষ্ঠপোষকতাত চলি থকা 'বাতৰি' খনে ১৯৩৫

৬। লক্ষ্মীনাথ ফুকন, 'ৰাধানাথ চাংকাকতী' অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, সম্পা., চন্দ্ৰপ্ৰসাদ শইকীয়া, পৃ. ২৬৭

চনত সাদিনীয়াৰ পৰা দৈনিক ৰূপ লাভ কৰাত লক্ষ্মীনাথ ফুকনে সুবিধা বুজি উক্ত ‘বাতৰি’খনৰ কামত সোমাই পৰে। এবছৰ নৌহওঁতে অকস্মাৎ সেই কাম ত্যাগ কৰি কলিকতালৈ যাত্র কৰে আৰু ‘ ফৰৱাৰ্ড’ কাকতখনত দ্বিতীয়বাৰৰ বাবে যোগ দিয়ে। পৰৱৰ্তী ১৯৩৮-৩৯ চনত তাৰ পৰা এৰা দি কলিকতাৰ আগশাৰীৰ কাকত ‘হিন্দুস্থান ষ্টেণ্ডাৰ্ড’ ৰ সহকাৰী সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। এনেদৰে এই সময়ৰ কাৰ্যপ্ৰণালী অধ্যয়ন কৰিলে দেখা যায় যে, ১৯১৮ চনৰ পৰা ১৯৩৯ চন পৰ্যন্ত এই সুদীৰ্ঘ সময়ছোৱাত লক্ষ্মীনাথ ফুকনে অসম আৰু কলিকতাৰ পৰা প্ৰকাশিত প্ৰায় সকলো প্ৰখ্যাত কাকততে সহকাৰী সম্পাদক, মেনেজাৰ, সংবাদদাতা, প্ৰতিনিধি আৰু কেতিয়াবা মুখ্য সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে। অৱশ্যে ১৯৩৯ চনত ‘আসাম ট্ৰিবিউন’ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰাৰ লগে লগে তেওঁৰ দীৰ্ঘদিনীয়া ভ্ৰাম্যমান জীৱনৰ অৱসান ঘটে।

‘আসাম ট্ৰিবিউন’ৰ সম্পাদক হোৱাৰ আগলৈকে লক্ষ্মীনাথ ফুকনে কোনো এখন কাকততে দীৰ্ঘদিন আত্মনিয়োগ কৰা নাছিল। মালিক পক্ষৰ পৰা পোৱা হকা-বাধাই ইয়াৰ মুখ্য কাৰণ আছিল। এই ক্ষেত্ৰত অৱশ্যে ‘হিন্দুস্থান ষ্টেণ্ডাৰ্ড’ ব্যতিক্ৰম। এইখনক বাদ দি আন সকলো সময়তে মালিক পক্ষৰ পৰা তেওঁৰ ওপৰত কৰ্তৃত্বমূলক ছাপ অব্যাহত আছিল। এনেতে ৰাধাগোবিন্দ বৰুৱা আৰু সোমেশ্বৰ বৰুৱাৰ উদাৰ আহ্বানে সকলো বাধা-নিষেধৰ অৱসান ঘটাই লক্ষ্মীনাথ ফুকনক ‘আসাম ট্ৰিবিউন’ৰ সম্পাদক হোৱাৰ বাট প্ৰশস্ত কৰি দিছিল। তদুপৰি সম্পাদক হিচাপে মাহিলী চাৰিশ টকা দৰমহা নিৰ্দ্ধাৰণৰ প্ৰসঙ্গয়ো তেওঁক কাকতখনৰ সম্পাদক হ’বৰ বাবে আগ্ৰহ আৰু যুক্তি যোগান ধৰিছিল। এনেকৈয়ে একালৰ ভ্ৰাম্যমান সাংবাদিক লক্ষ্মীনাথ ফুকন ১৯৩৯ চনৰ ৪ আগষ্টৰ পৰা ‘আসাম ট্ৰিবিউন’ৰ প্ৰতিষ্ঠাপক আৰু স্থায়ী সম্পাদক হৈ পৰিছিল। আৰম্ভণিতে ‘আসাম ট্ৰিবিউন’খন ডিব্ৰুগড়ৰ পৰা সাপ্তাহিক হিচাপে প্ৰকাশ পায় যদিও পাঁচ বছৰ কাল চলাৰ পিছত কাকতৰ কাৰ্যালয় ১৯৪৬ চনত গুৱাহাটীলৈ স্থানান্তৰিত হৈছিল। গুৱাহাটীলৈ আহি অৱশ্যে একালৰ সাপ্তাহিক কাকতখন দৈনিক হৈ পৰিছিল। এনেকৈয়ে ১৯৩৯ চনৰ পৰা ১৯৬৪ চনলৈ প্ৰায় পছিশ বছৰ কাল লক্ষ্মীনাথ ফুকনে ‘দৈনিক আসাম ট্ৰিবিউন’ সম্পাদনা কৰিছিল। দেখা যায় যে পেশাদাৰী সাংবাদিক হিচাপে কাৰ্যনিৰ্বাহ কৰা এই সুদীৰ্ঘ বৰ্ণময় জীৱনত তেওঁ কিছুমান নীতিৰ ওপৰত গুৰুত্ব দিছিল। কাকত সম্পাদনাৰ দিক্ নিৰ্ণায়ক এই নীতিসমূহ হ’ল -

ক) বাতৰিৰ পৱিত্ৰতা ৰক্ষা কৰা।

খ) বাতৰিৰ ভাষাৰ শুদ্ধতা ৰক্ষা কৰা

গ) অতিৰঞ্জিত বাতৰি পৰিৱেশন নকৰা

ঘ) আনৰ চৰিত্ৰ হনন নকৰা

ঙ) বস্তুনিষ্ঠতা ৰক্ষাৰ যত্ন কৰা

চ) বাতৰি সম্পৰ্কত নিৰপেক্ষতা ৰক্ষা কৰা

ছ) কাকতখনক জনসাধাৰণৰ মুখপত্ৰ কৰা

কাকত সম্পাদনা কালত লক্ষ্মীনাথ ফুকনে মানসিক দৃঢ়তাৰে এই নীতি নিৰ্দ্ধাৰণ কৰি পালন কৰিছিল। প্ৰয়োজনত সহযোগী সকলো ব্যক্তিৰ প্ৰতি তেওঁৰ স্পষ্ট আদেশ আছিল এনেধৰণৰ - *“বৰকৈ বিশেষণ ব্যৱহাৰ নকৰিবা। তাৰ পৰা ইংৰাজী বা অৰ্থৰ কোনো উন্নতি নহয়। ৰাজহুৱা সভা এখন ৰাজহুৱা সভাই। তাক ‘বিৰাট’ বুলি কিয় লিখিব লাগে। যিমান পাৰা সৰু শব্দ ব্যৱহাৰ কৰিবা। পঢ়িবলৈ আৰু বুজিবলৈ উজু হয়। বাক্যবোৰ বৰ দীঘলীয়া নকৰিবা। খবৰ এটা সন্দেহ হ’লে নিলিখিবাই। পাচত আকৌ খবৰ লৈ পুনৰ চেষ্টা কৰিবা।”*[৭] লক্ষ্মীনাথ ফুকনৰ মতে কাকত সম্পাদনা এটি খনিকৰী বস্তু (A work of art)। সকলো সময়তে উক্ত চিন্তাদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈহে তেওঁ কাকত সম্পাদনাৰ কামবোৰ কৰি গৈছিল। তাৰ মাজতে নিয়াৰি কৰ্ম সম্পাদনাৰে তেওঁ কেইটামান অভিলেখৰ গৰাকী হৈছিল। অধ্যয়নৰ কালছোৱাত আমি পোৱা কেইটামান অভিলেখ এনেধৰণৰ -

ক। একেখন সংবাদপত্ৰ (আসাম ট্ৰিবিউন)ত সুদীৰ্ঘ ২৫ বছৰ সাংবাদিকতা।

খ। মহাত্মা গান্ধীৰ সাক্ষাৎকাৰ ‘ষ্টেটচমেন’ (১৯৩৪ চনৰ ২৯ এপ্ৰিল) কাকতত প্ৰকাশ কৰা একমাত্ৰ অসমীয়া সাংবাদিক হোৱাৰ গৌৰৱ অৰ্জন।

গ। ‘আসাম ট্ৰিবিউন’ৰ জৰিয়তে ১৯৪৬ চনৰ ১৬ মে’ত বৃটিছে জাপি দিব খোজা ‘গ্ৰুপিং আঁচনি’ৰ বিৰোধীতা আৰু ব্যৰ্থকৰণ।

ঘ। কাকতৰ জৰিয়তে প্ৰচুৰ জনমত গঠন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য এজন অসমীয়া (কৃষ্ণকান্ত সন্দিকৈ)ক পতাৰ বাবে তেতিয়াৰ চৰকাৰক বাধ্যকৰণ।

---

৭। ৰবীন্দ্ৰ নাথ বৰুৱা, ‘লক্ষ্মীনাথ ফুকন স্মাৰক বক্তৃতা’, অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি

ঙ। অসমীয়া-ইংৰাজী মিলি প্ৰায় পোন্ধৰখন কাকতৰ সম্পাদনা, সহঃ সম্পাদনাৰ দায়িত্ব গ্ৰহণ আৰু পালন।

চ। হেমচন্দ্ৰ গোস্বামীৰ প্ৰতি ব্যক্তিগত অনুৰোধেৰে তামৰ ফলি, শিলৰ ফলিৰ পাঠ উদ্ধাৰ আৰু ১৯১০ চনৰ 'আলোচনী'ৰ পাতত তাৰ প্ৰকাশকৰণ।

ছ। অসমৰ পেশাদাৰী সাংবাদিকতাত 'প্ৰথম পুৰুষ' হোৱাৰ গৌৰৱ অৰ্জন।

লক্ষ্মীনাথ ফুকনৰ কৰ্ম জীৱন নানা ঘাত-প্ৰতিঘাতেৰে ভৰা আছিল। অৰ্থৰ অভাৱ এই ক্ষেত্ৰত অন্যতম মুখ্য। ভ্ৰাম্যমান অৱস্থাৰ সকলো সময়তে আৰ্থিক দুৰাৱস্থাই তেওঁক দিক্‌ভ্ৰান্ত কৰি তুলিছিল। অৱশ্যে 'আসাম ট্ৰিবিউন'ৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা তেওঁৰ আৰ্থিক অস্থিৰতা কিছু পৰিমাণে স্বাভাৱিক হ'বলৈ ধৰিছিল। তথাপি অৱস্থা সুস্থিৰ হওঁক বা অস্থিৰেই হওঁক, কৰ্মজীৱনৰ সকলো সময়তে তেওঁ চৰকাৰৰ ভুল নীতিৰ বিৰোধীতা কৰি গৈছিল। ইয়াৰ মাজেৰে জাতিৰ প্ৰতি থকা তেওঁৰ আস্থা আৰু ভালপোৱা প্ৰতিভাত হৈছিল। উল্লিখিত সকলোবোৰৰ উপৰিও 'আসাম ট্ৰি বিউন'ৰ হকে মাদ্ৰাজ যাত্ৰা কৰাটো লক্ষ্মীনাথ ফুকনৰ কৰ্মজীৱনৰ আন এক সাৰ্থকতা আছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ প্ৰায় দুবছৰ পিছত মাদ্ৰাজৰ 'জেমিনী ষ্টুডিঅ'ৰ পৰা অহা নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ গৈ আন সাংবাদিকৰ সতে ফুকনেও মাদ্ৰাজত ফুৰা আৰু থকাৰ সুযোগ লাভ কৰিছিল। উল্লেখ্য যে, মাদ্ৰাজ ভ্ৰমণৰ বাবে অহা-যোৱা খৰচ মাদ্ৰাজস্থিত 'জেমিনী ষ্টুডিঅ'টোৱে বহন কৰিছিল।

লক্ষ্মীনাথ ফুকনৰ কৰ্মজীৱন মূলতঃ মানৱতাবাদ আৰু জাতীয়তাবাদে পৰিচালিত কৰিছিল। মানুহৰ প্ৰতি তেওঁৰ অপাৰ ভালপোৱা আছিল। আনক সুখ দিব নোৱাৰিলেও তেওঁ কাকো দুখ দিয়াৰ পক্ষপাতি নাছিল। সদায়েই শান্তিত জীৱন যাপন কৰি মানুহৰ মঙ্গলৰ স্বাৰ্থতে সকলো কৰ্ম সমৰ্পিত কৰিছিল। সেয়েহে বোধহয় ঈশ্বৰ সম্পৰ্কত তেওঁ কিছু দ্বিধাগ্ৰস্থ আছিল। তেওঁ নিজেই কোৱা মতে -

> *"মই ঈশ্বৰ আছে বুলিও ভাবো আৰু নাই বুলিও ভাবোঁ।.... মই অৱশ্যে ভাবো যে এনেকৈ ঈশ্বৰক পাবলৈ বা তেওঁৰ কৰুণা লভিবলৈ যত্ন কৰাতকৈ ওচৰ চুবুৰীয়া মানুহখিনিক মৰম দি আপোন বুলি ল'ব পাৰিলেহে ঈশ্বৰ বেছি সন্তুষ্ট হ'ব। সকলো ধৰ্মতকৈ শ্ৰেষ্ঠ মানৱ ধৰ্ম।"*[৮]

---

৮। 'ফুকনে নিজে কি কয়' শীৰ্ষক সাক্ষাৎকাৰ, লক্ষ্মীনাথ ফুকন সোঁৱৰণী গ্ৰন্থ, সম্পা., উপেন্দ্ৰ বৰকটকী, পৃ. ১৬০

জীৱনৰ আদি বয়সতে লক্ষ্মীনাথ ফুকনে জাতীয়তাবাদী মনোভঙ্গী গ্ৰহণ কৰিছিল। দৰাচলতে পূৰ্বপুৰুষ নাৰায়ণ ফুকনৰ সময়ৰ পৰাই এই বংশত জাতীয়তাবাদী চৰিত্ৰ বৰ্তমান আছিল। কথাটো স্পষ্ট ভাবে কবলৈ গ'লে এনেধৰণৰ-- লক্ষ্মীনাথ ফুকনৰ ককাদেউতাক নাৰায়ণ ফুকনে বৃটিছ বিৰুদ্ধ সংগ্ৰামত মণিৰাম দেৱানক সহায় কৰিছিল। কথাটো জানিব পাৰি বৃটিছে নাৰায়ণ ফুকনক জেলত দিছিল। এই হেন জাতিপ্ৰেমী ককাদেউতাকৰ পৰা পোৱা জাতীয় প্ৰেমে পৰৱৰ্তীকালত কাকত সম্পাদনাৰ যোগেদি প্ৰতিফলিত হ'বলৈ ধৰে। আনকি কাকত সম্পাদনাৰ সকলো সময়তে ফুকনে জাতীয়তাবাদী ভাৱাদৰ্শক আগস্থান দিবলৈ লয়। সেই সময়ৰ দেশ ব্যাপি চলা মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত গা এৰি নিদি ফুকনে সুবিধা পালেই কংগ্ৰেছৰ নীতিৰ সমালোচনা কৰে। কংগ্ৰেছৰ ভুল নীতিৰ সমালোচনা কৰি তেওঁ 'অসমীয়া' নামৰ আলোচনীখনৰ সম্পাদকৰ চাকৰি পৰ্যন্ত এৰিবলগীয়াত পৰে। তথাপি ইয়াৰ প্ৰতি তেওঁ কোনো ভ্ৰুক্ষেপ নকৰে। গতিকে ক'ব পাৰি যে গভীৰ দেশপ্ৰেমেৰে তেওঁৰ জাতীয়তাবাদ সমৃদ্ধ আছিল। সেই সময়ৰ সাংবাদিকতা যথেষ্ট কঠিন কাম আছিল। আজিৰ দৰে দৰমহাৰ ব্যাৱস্থাতো নাছিলেই বৰং পৰিয়াল প্ৰতিপালনৰ বাবে অৰ্থ সংগ্ৰহৰ নূন্যতম সুবিধাকনো নাছিল। সাংবাদিকসকল যেন গণতান্ত্ৰিক জাতীয় সংগ্ৰামৰ জাগ্ৰত প্ৰহৰীহে - এনেধৰণেৰে সকলোৱে কাম কৰিছিল। *"ফুকন আছিল সেই চাম ভাৰতীয় সাংবাদিকৰ এগৰাকী যি চামৰ বাবে সাংবাদিকতা আছিল এটা ব্ৰত।"*[৯] তেওঁ জন্মসুত্ৰে লাভ কৰা জাতীয়তাবাদী চেতনা বিভিন্ন ব্যক্তিৰ সান্নিধ্যৰে গভীৰ হৈছিল। বিশেষকৈ মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, নবীন চন্দ্ৰ বৰদলৈ, ভোলানাথ বৰুৱা, ৰাধানাথ চাংকাকতী, সত্যনাথ বৰা, বাণীকান্ত কাকতী, গোবিন্দ বেজবৰুৱা, শিৱপ্ৰসাদ বৰুৱা, সূৰ্য কুমাৰ ভূঞা, পাৰ্বতি প্ৰসাদ বৰুৱা, ৰত্নকান্ত বৰকাকতী, সোমেশ্বৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু তৰুণ ৰাম ফুকন আদিৰ সান্নিধ্যই লক্ষ্মীনাথ ফুকনক জাতীয়তাবাদৰ বিশাল পৰিমণ্ডল প্ৰদান কৰিছিল। দৰাচলতে, এওঁলোকৰ আদৰ্শৰ পটভূমিয়েই লক্ষ্মীনাথ ফুকনৰ জাতীয়তাবাদৰ পটভূমি আছিল। লক্ষ্মীনাথ ফুকনৰ সকলো কথা আৰু কামত ইয়াৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী আছিল। উল্লেখযোগ্য যে লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত 'মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ' গ্ৰন্থখনে উক্ত ব্যক্তিসকলৰ সতে থকা তেওঁৰ সম্পৰ্কৰ খবৰ বহন কৰে। সেইবাবে

৯। উপেন্দ্ৰ বৰকটকী, সম্পা., পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ.- ৪৫

তদানীন্তন অসমীয়াৰ আত্মসচেতন জাগ্ৰতকাৰী কোনো সাহিত্যিক, ৰাজনীতিক আৰু দাৰ্শনিকৰ সমানে লক্ষ্মীনাথ ফুকনৰ নামো সঘনে উচ্চাৰিত হোৱা পৰিলক্ষিত হয়। জাতীয়তাবাদী নীতি সমৰ্থনেৰে তেওঁ প্ৰচুৰ যুক্তিবাদী আৰু সমালোচক আছিল। গোপীনাথ চৰকাৰৰ ভুল নীতিৰ চোকা সমালোচনাৰ ক্ষেত্ৰত তেওঁ কোনোদিনে আপোচ কৰা নাছিল। এবাৰ লৰ্ড এক্টনৰ ভাষাৰে Power corrupts and absolute power corrupts absolutly বুলি চৰকাৰক সমালোচনা কৰি চৰকাৰী পক্ষৰ দ্বাৰা লক্ষ্মীনাথ ফুকন সম্পাদিত 'আসাম ট্ৰিবিউন' ব্লেক লিষ্টেড হ'ব লগা হৈছিল। স্বাধীনতা সংগ্ৰামৰ লগত তেওঁ প্ৰত্যক্ষভাৱে জড়িত নাছিল যদিও সচেতন দেশপ্ৰেমিক হিচাপে লক্ষ্মীনাথ ফুকন স্বৈৰাচাৰী কংগ্ৰেছৰ বিৰুদ্ধ সবল কণ্ঠ আছিল। গতিকে কাকতৰ নীতি পৰ্যন্ত ঠিক কৰি তেওঁ ভাবিছিল *"যিহেতু স্বাধীনতাৰ পিছত কংগ্ৰেছ একছেতীয়া শাসক হৈ পৰিল, বিৰোধী দল প্ৰায় নাথাকিলেই, সেয়ে সংবাদ পত্ৰবোৰে বিৰোধী দলৰ ভূমিকা ল'ব লাগিব।"*[১০]

লক্ষ্মীনাথ ফুকনৰ দৃষ্টি সমাজৰ ভিন্ন দিশলৈ প্ৰসাৰিত আছিল। 'গ্ৰুপিং আঁচনি'ৰ বিৰুদ্ধাচৰণ কৰি তাক বন্ধ কৰাৰ ক্ষেত্ৰত কাকতৰ যোগেদি তেওঁ আগভাগ লৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য নিয়োগৰ ক্ষেত্ৰত অসম চৰকাৰৰ বহিৰাগত প্ৰীতিক তেওঁ প্ৰত্যাহ্বান জনাইছিল। ফলত বাধ্য হৈ অসম চৰকাৰে কৃষ্ণকান্ত সন্দিকৈকে উপাচাৰ্য নিয়োগ কৰিব লগাত পৰিছিল। একমাত্ৰ লক্ষ্মীনাথ ফুকনৰ জাতীয়তাবাদী চেতনাৰ প্ৰভাৱতে সেয়া সম্ভৱ হৈছিল। এঠাইত তেওঁ নিজে কৈছে- *"মই সেই সোঁতত গা এৰি নিদি কাকতখনৰ সুৰ কংগ্ৰেছী নকৰি পুৰা জাতীয়তাবাদী কৰি তুলিবলৈ যত্ন কৰিলোঁ।"*[১১] কাকত সম্পাদক হিচাপে থকা ঐকিক দায়িত্ববোধে সম্ভৱত উক্ত ভূমিকা ল'বৰ বাবে এই ক্ষেত্ৰত তেওঁক উৎসাহ যোগাইছিল। কাকত সম্পাদনাৰ যোগেদি তেওঁৰ সকলো ৰায় জনস্বাৰ্থৰ হকে সমৰ্পিত আছিল। সেইবাবেই স্বাধীনতা আন্দোলনৰ সমৰ্থক হৈও তেওঁ কংগ্ৰেছৰ চোকা সমালোচক আছিল। এইক্ষেত্ৰত নিজৰ স্থিতি স্পষ্ট কৰি এঠাইত তেওঁ কৈছিল—

*"স্বাধীনতা আন্দোলনত মোৰ যদি কিবা সম্বন্ধ আছিল সি কাগজে কলমেহে।*

---

১০। চন্দ্ৰপ্ৰসাদ শইকীয়া, 'লক্ষ্মীনাথ ফুকন ঃ জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ্য', লক্ষ্মীনাথ ফুকন জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ্য', সম্পা., প্ৰফুল্ল চন্দ্ৰ বৰা পৃ. ১৯

১১। ৰবীন্দ্ৰ নাথ বৰুৱা, 'আসাম ট্ৰিবিউন ঃ অসমৰ সাংবাদিকতালৈ ঐতিহাসিক অৱদান', অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, সম্পা., চন্দ্ৰ প্ৰসাদ শইকীয়া, পৃ. ৩১০

*আন্দোলনৰ আৰম্ভণিতে মই দুই চাৰিখন সভাত উপস্থিত আছিলোঁ, কিন্তু এনে কোনো কাম কৰা নাছিলো যাৰ বাবে মই ফাতেক খাতিব লগা হৈছিল। মই সম্পাদনা কৰা কাগজকেইখনত মহাত্মা গান্ধীৰ অসহযোগ আন্দোলন আৰু পিছত স্বাধীনতা আন্দোলনৰ সমৰ্থন দিছিলোঁ। কিন্তু কংগ্ৰেছৰ কিছুমান নীতিৰ মই সমালোচনাও কৰিছিলোঁ।"*[১২]

এনেদৰে আত্মনীতি আৰু আদৰ্শেৰে লক্ষ্মীনাথ ফুকন কৰ্মক্ষেত্ৰত স্থিতপ্ৰজ্ঞ আছিল। অৱশ্যে তেওঁৰ এনে কৰ্মনীতিয়ে অসমৰ ৰাইজক সৰ্বদায় লাভৱান্বিত কৰি ৰাখিছিল।

## ১.৩ লক্ষ্মীনাথ ফুকনৰ সাহিত্য প্ৰতিভা

সৰুৰে পৰা লক্ষ্মীনাথ ফুকনৰ মনত সাহিত্যৰ প্ৰতি প্ৰৱল ধাউতি আছিল। তাতে তেওঁৰ ঘৰুৱা পৰিবেশো সাহিত্য চৰ্চাৰ বাবে সহায়ক আছিল। সাহিত্য অনুৰাগী মোমায়েক চন্দ্ৰ কান্ত খাউণ্ডৰ পৰা পোৱা উৎসাহে লক্ষ্মীনাথ ফুকনক সাহিত্য অনুৰাগী হোৱাত সহায় কৰিছিল। ইয়াৰ উপৰিও আন বিদ্বান পুৰুষ যেনে - কৃষ্ণকান্ত সন্দিকৈ, চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আদিৰ দৰে কৃতবিদ্যসকলৰ সান্নিধ্য আৰু প্ৰেৰণাইও লক্ষ্মীনাথ ফুকনক সাহিত্যিক হোৱাত অৰিহণা যোগাইছিল।

লক্ষ্মীনাথ ফুকনে স্কুলীয়া দিনতে এখন হাতে লিখা আলোচনী উলিয়াইছিল। ক'বলৈ গ'লে এইখনেই তেওঁৰ সাহিত্য চৰ্চাৰ আৰম্ভণি আছিল। তথাপি, লিখিত প্ৰমাণসিদ্ধ প্ৰথম সাহিত্যিক আৰম্ভণি বুলিলে 'আলোচনী' (১৯১০) নামৰ আলোচনীখনৰ নাম ল'ব লাগিব। অৱশ্যে ১৯০৯ চনত প্ৰকাশিত 'বাঁহী' আলোচনীখনতহে তেওঁৰ লিখনি বিশেষকৈ গল্প আৰু কবিতা প্ৰকাশ পাইছিল। সাংবাদিকতা প্ৰধান কৰ্ম হ'লেও লক্ষ্মীনাথ ফুকনৰ সৃষ্টিশীল আৰু সংবেদনশীল মন এটা আছিল। সমাজ সচেতনতা আৰু গভীৰ পৰ্যৱেক্ষণশীলতাই এই মনক অধিক সক্ৰিয় তথা সতেজ কৰি ৰাখিছিল।

লক্ষ্মীনাথ ফুকনৰ সাহিত্য চৰ্চাৰ পটভূমি বুলিলে মূলতঃ ঊনবিংশ শতিকাৰ সমাজ আৰু ঐতিহ্য। 'জোনাকী' (১৮৮৯) আলোচনীৰ যোগেদি যি কেইগৰাকী অসম হিতৈষীয়ে অসম আৰু অসমীয়াৰ হৃত গৌৰৱ অক্ষুন্ন ৰখাত সহায় কৰিছিল; সেই কেইগৰাকীৰ ঐতিহ্য চেতনা আৰু

১২। 'ফুকনে নিজে কি কয়' শীৰ্ষক সাক্ষাৎকাৰ, লক্ষ্মীনাথ ফুকন সোঁৱৰণী গ্ৰন্থ, সম্পা., উপেন্দ্ৰ বৰকটকী, পৃ. ১৫৯

পটভূমিৰ সতে লক্ষ্মীনাথ ফুকনৰ মন গভীৰভাৱে সংপৃক্ত আছিল। তদুপৰি 'জোনাকী' (১৮৮৯) ৰ দ্বাৰা প্ৰৱৰ্তিত ভাৱধাৰাক নেতৃত্ব দিয়া পৰৱৰ্তী আলোচনী যেনে - বিজুলী, বাঁহী, ঊষা, মিলন, আলোচনী, আদিৰ জৰিয়তে আমদানিকৃত ভাৱ-চিন্তাৰ দ্বাৰাও তেওঁ প্ৰচুৰ পৰিমানে প্ৰভাৱিত হৈছিল। আমদানিকৃত ভাৱধাৰা বুলিলে আকৌ মনৱতাবাদ, ৰমন্যাসবাদ, জাতীয়তাবাদ আদিয়েই প্ৰধান। ইয়াৰ উপৰিও লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা প্ৰৱৰ্তিত হাস্য-ব্যঙ্গ ধাৰাটোৱে লক্ষ্মীনাথ ফুকনৰ হাতত পৰি অধিক প্ৰসাৰ আৰু ব্যাপ্তি লাভ কৰিছিল।

লক্ষ্মীনাথ ফুকনে অলপীয়াকৈ হ'লও সৃষ্টিশীল সাহিত্যৰ প্ৰায় গোটেইকেইটা শাখাতে হাত দিয়া দেখা যায়। অৱশ্যে, তেওঁৰ সৃষ্টিশীলতাৰ সঠিক উন্মেষ জীৱনৰ পৈণত বয়সতহে লক্ষ্য কৰা যায়। সেইবাবে প্ৰায় ছব্বিশ বছৰ বয়সত ৰচিত গল্প পুথিখনক তেওঁৰ পৈণত হাতৰ ৰচনা বোলা হয়। অৱশ্যে পৰৱৰ্তী সময়ত ৰচিত প্ৰায় সকলো ৰচনাতে তেওঁৰ পূৰঠ হাতৰ ছাপ সংৰক্ষিত হোৱা দেখা যায়। লক্ষ্মীনাথ ফুকনৰ সাহিত্য কৃতি বুলিলে মূলতঃ চুটিগল্প, কবিতা, উপন্যাস, আত্মজীৱনীমূলক ৰচনা তথা ভিন্ন বিষয়ক নিৱন্ধ আৰু অনুবাদ আদিয়েই প্ৰধান। তেওঁৰ সকলো সাহিত্য কৰ্মত্যে ব্যক্তিগত অভিজ্ঞতাৰ প্ৰমাণ বাহক।*"গল্প লিখোঁতে নাইবা কবিতা ৰচোঁতে নাইবা কাৰোবাৰ জীৱনী সমীক্ষা কৰোঁতে এনেকুৱা ভাৱ হয়, তেওঁ যেন পানী নসৰকা সুকীয়া সুকীয়া খোটালিত সোমাইহে কাম কৰিছে।"*[১৩] লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ অধ্যয়ন কৰোঁতে উক্ত বক্তব্যৰ যথাৰ্থতা অনুভূত হয়। তেওঁৰ প্ৰায়বোৰ গল্পৰে অন্তৰভাগত ঘটনাক্ৰমৰ এনে খোটালিৰ অৱস্থান এক স্বাভাৱিক পৰিক্ৰমা; অৰ্থাৎ ঘটনাৰ পিছত ঘটনাৰ সোৱাদ লৈহে গল্পৰ মূল কথাবোৰ জানিব পৰা যায়।

এজন সাহিত্যৰচক হিচাপে অসমীয়া সাহিত্যৰ ভৱিষ্যত সম্পৰ্কে লক্ষ্মীনাথ ফুকন বৰ আশাবাদী আছিল। অসমীয়া সাহিত্য বিভিন্ন শাখাৰে সমৃদ্ধ হৈ সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতিষ্ঠা পোৱাৰ ক্ষেত্ৰত তেওঁৰ মতামত দৃঢ় আৰু স্পষ্ট আছিল—

> *"মই আশাবাদী। অসমীয়া সাহিত্যৰ গতিপথ ভালেই হ'ব বুলি মই ভাবোঁ। সাহিত্যৰ সকলোবিলাক বিভাগত আমি সমানে আগুৱাব পৰা নাই। কিছুমানত আমি দেখা দেখিকৈ পিছ পৰি আছোঁ, কিন্তু কোনো কোনো বিষয়ত আগবাঢ়িব পাৰিছো। কবিতা, চুটিগল্প আৰু উপন্যাসৰ কথা উল্লেখ কৰিব পাৰি। বিশেষকৈ*

১৩। মুনীন বৰকটকী, 'লক্ষ্মীনাথ ফুকন', সংজ্ঞা, সম্পা., নীলমনি ফুকন, পৃ. ৮৫

*অসমীয়া চুটিগল্পই অন্যান্য ভাৰতীয় ভাষাৰ সৰ্বোৎকৃষ্ট চুটিগল্পৰ লগত ফেৰ মাৰিব পাৰিব।”*[১৪]

এনে আশাবাদে দৰাচলতে সাহিত্যৰ প্ৰতি থকা তেওঁৰ গভীৰ ভালপোৱাকে প্ৰতিভাত কৰে। এই ভালপোৱা সাহিত্যৰ ভিন্ন শাখাৰ জৰিয়তে তেওঁৰ হাতত প্ৰসাৰতা লাভ কৰিছে। এই ক্ষেত্ৰত তেওঁৰ দ্বাৰা ৰচিত চুটিগল্প, কবিতা , উপন্যাস, আত্মজীৱনীমূলক ৰচনা, অনুবাদ সাহিত্য আৰু প্ৰবন্ধ আদিয়ে ইয়াৰ প্ৰমাণ।

### ১.৩.১ চুটিগল্প

গল্পকাৰ হিচাপ লক্ষ্মীনাথ ফুকনৰ আত্মপ্ৰকাশ ঘটে ‘আলোচনী’ (১৯১০) আৰু ‘বাঁহী’ (১৯০৯) নামৰ আলোচনীৰ যোগেদি। দুয়োখন আলোচনীত প্ৰকাশ পোৱা গল্পকেইটাকে একত্ৰিত কৰি তেওঁ পুথি ৰূপ দিছে। এই ক্ষেত্ৰত সহপাঠী কৃষ্ণকান্ত সন্দিকৈৰ পৰা বিশেষ সহায় লাভ কৰাৰ কথা তেওঁ ইতিমধ্যে উল্লেখ কৰিছে। লক্ষ্মীনাথ ফুকনে সন্দিকৈৰ পৰা পোৱা সহযোগৰ কথা এটা সাক্ষাৎকাৰত স্বীকাৰ কৰি কৈছে যে -

> *“মই বিশেষ উৎসাহ উদ্দীপনা পাইছিলো সন্দিকৈৰ পৰা। তেওঁৰ আগ্ৰহ আৰু আৰ্থিক সাহাৰ্যৰ বাবেই মই মোৰ প্ৰথম ৰচনা ‘মালা’খন প্ৰকাশ কৰিব পাৰিলোঁ। মই কিতাপখন তেওঁৰ নামেই উচৰ্গা কৰিলোঁ।*[১৫]

‘মালা’খন প্ৰকাশৰ বাবে কৃষ্ণকান্ত সন্দিকৈয়েও যে আগ্ৰহী আছিল, তাৰ প্ৰমাণ সন্দিকৈৰ নিজৰ লিখনিতো স্পষ্টভাৱে দেখা গৈছে -

> *“মই কলিকতাত এম.এ পঢ়োঁতে ফুকনৰ প্ৰথম গল্পৰ কিতাপ ‘মালা’ ছপাই উলিয়াইছিলো। কিতাপখন তেওঁ মোৰ নামত উছৰ্গা কৰিছিল আৰু ইয়াৰ ছপা খৰচ মই বি.এ. পাছ কৰোঁতে পোৱা পোষ্টগ্ৰেজুৱেট বৃত্তিৰ পৰা বহন কৰিছিলো।”*[১৬]

দেখা যায়, কৃষ্ণকান্ত সন্দিকৈৰ পৰা আৰ্থিক সকাহ নোপোৱা হ’লে নিশ্চয় ‘মালা’ৰ প্ৰকাশ বিলম্ব

---

১৪। উপেন্দ্ৰ বৰকটকী, সম্পা. পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ১৫৪

১৫। উল্লিখিত গ্ৰন্থ, পৃ. ১৫৫

১৬। উল্লিখিত গ্ৰন্থ, ‘পুৰণি স্মৃতি’ শীৰ্ষক বিশেষ লিখনি

হ'লহেঁতেন। অথবা ক'ব পাৰি যে, প্ৰকাশ নোহোৱাৰ অজুহাতত লক্ষ্মীনাথ ফুকনৰ পৰৱৰ্তী সাহিত্য চৰ্চা স্তিমিত হ'লহেঁতেন। যা হওঁক, লক্ষ্মীনাথ ফুকনৰ দ্বাৰা অসমীয়া গল্প সাহিত্য চহকীকৰণত কৃষ্ণকান্ত সন্দিকৈৰ অৱদান স্বীকাৰ কৰিবলগীয়া।

লক্ষ্মীনাথ ফুকনৰ গল্পপুথিৰ সংখ্যা পাঁচখন। পুথিকেইখনত থকা মুঠ গল্পৰ সংখ্যা হ'ল চল্লিশটা। ইয়াৰ উপৰিও 'ৰামধেনু' আলোচনীৰ ত্ৰয়োদশ বছৰৰ নৱম সংখ্যাত 'মাটিৰ দাম' নামৰ আন এটি গল্প পোৱা গৈছে। দৰাচলতে, 'আলোচনী' (১৯১০-১৭) নামৰ আলোচনীখনৰ যোগেদি আত্মপ্ৰকাশ কৰিলেও লক্ষ্মীনাথ ফুকনৰ চুটিগল্প পৰৱৰ্তী 'ৰামধেনু' (১৯৪৯-৫০) আলোচনীখনতো প্ৰকাশ পাইছে। প্ৰকাশিত আটাইকেইটা গল্পই অসমীয়া গল্প সাহিত্যৰ সমৃদ্ধি, উত্তৰণ আৰু স্থিতিৰ সকলো চৰ্ত পূৰণ কৰিছে। এই সকলো প্ৰসঙ্গকে সামৰি আমাৰ গৱেষণা কৰ্মৰ পৰৱৰ্তী অধ্যায়বোৰত লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ বিশ্লেষণাত্মক অধ্যয়ন কৰা হ'ব। লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত বুলি প্ৰাপ্ত গল্পপুথিসমূহ হ'ল—

১। মালা (১৯১৮), ২। ওফাইদাং (১৯৫২) , ৩। মৰমৰ মাধুৰী (১৯৬৩) , ৪। আশাত উৎফুল্ল প্ৰাণ (১৯৬৫), ৫। আনন্দে নধৰে হিয়া (১৯৬৭)

১। 'মালা' গল্পপুথিৰ অন্তৰ্গত চুটিগল্পসমূহ হ'ল -

ক) বিহুৰ সম্ভাষণ খ) ভূতৰ উপদ্ৰৱ গ) বুঢ়াৰ বিয়া ঘ) সন্যাসীৰ জয় ঙ) কবিৰ কাহিনী চ) মাধৱীলতা।

২। 'ওফাইদাং' গল্পপুথিৰ অন্তৰ্গত চুটিগল্পসমূহ হ'ল -

ক) ওফাইদাং খ) প্ৰাইভেট চেক্ৰেটাৰী গ) নতুন সুৰ ঘ) মহিমাময়ী ঙ) টাইপিষ্টৰ জীৱন চ) বিহু সন্মিলন।

৩। 'মৰমৰ মাধুৰী' গল্পপুথিৰ অন্তৰ্গত চুটিগল্পকেইটা হ'ল -

ক) মৰমৰ মাধুৰী (১৯৬০), খ) নতুন জীৱন (১৯৬০), গ) দ্বিতীয় পক্ষ (১৯৬১), ঘ) মেধি (১৯৬১), ঙ) এই ছোৱালীবোৰ (১৯৬১), চ) বাঁহীৰ সুৰ (১৯৬১), ছ) ডাক্তৰ (১৯৬২), জ) ঋণ পৰিশোধ (১৯৬১), ঝ) চিকাৰ (১৯৬১)

৪। 'আশাত উৎফুল্ল প্ৰাণ'ৰ অন্তৰ্গত গল্পসমূহ হ'ল -

ক) আশাত উৎফুল্ল প্ৰাণ (১৯৬৪), খ) ভানুৰ জীয়েক ৰাণু (১৯৬৪), গ) বিহুৰ পিঠা

(১৯৬৪), ঘ) সেই দিন আৰু নাই (১৯৬৮), ঙ) পেন্সনধাৰী, চ) শেষ সিদ্ধান্ত (১৯৫১), ছ) বিৰাট শূন্য (১৯৬৫), জ) আপোন মানুহ (১৯৩৭) , ঝ) অশোকাষ্টমীৰ স্নান (১৯৩৫), ঞ) পৰ্দ্দা ৰহস্য (১৯২০)

৫। 'আনন্দে নধৰে হিয়া' গল্প সংকলনখনৰ অন্তৰ্গত চুটিগল্পসমূহ -

ক) আনন্দে নধৰে হিয়া (আগষ্ট, ১৯৬৫), খ) ৰূপহী মেম (ফেব্ৰুৱাৰী, ১৯৬৭), গ) সঙ্গীত সন্মিলন (চেপ্তেম্বৰ, ১৯৬৬), ঘ) প্ৰতিদান (চেপ্তেম্বৰ, ১৯৬৬), ঙ) লখিমী (আগষ্ট , ১৯৬৬), চ) শেষ আশ্ৰয়, ছ) অসম নাট্যম (চেপ্তেম্বৰ, ১৯৬৬), জ) পূজাৰ কাপোৰ (চেপ্তেম্বৰ, ১৯৬৫) আৰু ঝ) মুচী (মাৰ্চ, ১৯৬৪) আদি।

অধ্যয়নকালত দেখা যায় যে গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত উৎসাহ-উদ্‌গনি যোগোৱা সকলোৰে প্ৰতি লক্ষ্মীনাথ ফুকনে সদায় শ্ৰদ্ধা নিবেদন কৰিছে।

## ১.৩.২ কবিতা

লক্ষ্মীনাথ ফুকন এগৰাকী সফল কবি আছিল। উচ্চ স্তৰীয় কাব্য প্ৰতিভাৰে তেওঁক মূলতঃ ৰোমাণ্টিক কবি বুলি জনা গৈছিল। 'ঊষা' (১৯১০) আলোচনীখনতে তেওঁৰ প্ৰথম কবিতা প্ৰকাশ পাইছিল। আলোচনীখনৰ চতুৰ্থ ভাগত প্ৰকাশিত তেওঁৰ কবিতাটোৰ নাম আছিল 'ঊষা'। অৱশ্যে তাৰ আগতে কবিতাধৰ্মী কিবা লিখিছিল যদিও তাৰ প্ৰমাণ এতিয়া পাবলৈ নাই। উল্লেখ্য যে, আলোচনীৰ নামেৰে কবিতা লিখাৰ এটা পৰম্পৰা সেই সময়ত প্ৰচলিত আছিল। বিশেষকৈ, 'জোনাকী'ৰ প্ৰশস্তিৰে হেমচন্দ্ৰ গোস্বামীৰ 'জোনাকী' অথবা 'ঊষা' আলোচনীৰ প্ৰশস্তিৰে পদ্মনাথ গোহাঞিবৰুৱা, দণ্ডিনাথ কলিতা আৰু শৈলধৰ ৰাজখোৱাৰ 'ঊষা' নামৰ কবিতাটোৰ দৰে লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত 'ঊষা' নামৰ কবিতাটিও 'ঊষা' আলোচনীৰ এটা প্ৰশস্তিহে আছিল। এই ক্ষেত্ৰত লক্ষ্মীনাথ ফুকন পূৰ্বৱৰ্তী শৈলধৰ ৰাজখোৱাৰ দ্বাৰাহে প্ৰভাৱিত আছিল। ৰাজখোৱাৰ 'উন্নতিৰ ওৰে বাট হোক প্ৰতিভাত' ৰ দৰে লক্ষ্মীনাথ ফুকনেও আশা কৰিছিল যে -

*নিতউ পুৱাতে উঠি অসম সন্তানে*

*আগুৱাব উন্নতিৰ পথ।*

'ঊষা' নামৰ কবিতা ৰচনাৰ পৰৱৰ্তী পৰ্যায়ত লক্ষ্মীনাথ ফুকনৰ কাব্য চৰ্চাই 'বাঁহী' আৰু

'আলোচনী'ৰ যোগেদি পূৰ্ণতা লাভ কৰিছিল। অৱশ্যে 'আৱাহন' ৰ পৰৱৰ্তীকালতো তেওঁ কবিতা লিখিছে, যদিও সেই কবিতাবোৰ বিষয়বস্তুগত দিশত তেনেই পাতল আছিল। তাৰ পিছতো কাব্য চৰ্চাৰ সুদীৰ্ঘ পঞ্চাশ বছৰ পিছত অৰ্থাৎ ১৯৬১ চনৰ অক্টোৱৰৰ মাহত প্ৰকাশিত কাব্য সংকলন 'সোণালী সপোন' খনে তেওঁৰ কাব্য কৃতিত্বৰ চানেকি হিচাপে বহুজন সমাদৃত হৈছিল। একুৰি পোন্ধৰটা কবিতাৰ সমষ্টি। সংকলনখনিৰ অন্তৰ্গত কবিতাৰ শিৰোণামাবোৰ এনেধৰণৰ - আজি, মোৰ পৰিচয়, তোমাৰ গান, সাক্ষী, ব্ৰহ্মপুত্ৰৰ প্ৰতি, শিপিনী, অতৃপ্তি, মৰণৰ বেলিকা, গোলাপ কলি, আহিবা যিদিনা তুমি, প্ৰতীক্ষা, দিবানে অকনি ঠাই, পূজাৰ সমল, থাকিবা কিমান আঁতৰি?, বিহুৰ সম্ভাষণ, বিবুধি, তুমি মোৰ মৰষিবা দাই, কলই যোৱা?, নিৰাশ, বিৰহী, কি খেল খেলিছা?, বাৰিষাৰ বান, অনাদৰ, মাজ নিশাৰ গান, নিষ্ঠুৰ, কিয় মোক মাতিলা এতিয়া?, আজি যে জোনালী ৰাতি, এনে হেন লাগে, বৰদৈচিলা, কুলি আৰু কেতেকী, অনৰ্থক, আজি ই বিহুৰ দিনা, কাকুতি, বিদায় বাণী, বিসৰ্জন আদি। এই গোটেইকেইটা কবিতা লক্ষ্মীনাথ ফুকনৰ কৃতিত্বৰ পৰিচায়ক। 'সোণালী সপোন'ৰ পাতনিত বাণীকান্ত কাকতীয়ে কৰা মন্তব্যয়ো ফুকনৰ কৃতিত্বৰ প্ৰমাণকে বহন কৰিছে। 'সোণালী সপোন'ৰ মৃদু ভাৱ ব্যঞ্জনাত সকলো বয়সৰ অনুভূতিৰেই গঁজালি আছে। *"... কবিতাবোৰত ইন্দ্ৰিয়ৰ উন্মাদনা নাই, তাত পৰিষ্কাৰকৈ ফুটি ওলাইছে সৌন্দৰ্যৰ ধ্যান আৰু তন্ময়তা। কবিৰ প্ৰেমিকা কোনো অৱয়বী মানৱী যেন নালাগে। তেওঁ কোনোবা অশৰীৰী সত্তা।"*[১৭]

কবিতা সংকলন প্ৰসঙ্গত কাকতীৰ উপৰিও বিভিন্নজনে নিজৰ মতামত আগবঢ়াইছে। তাৰ ভিতৰত নন্দ তালুকদাৰৰ মতামত প্ৰণিধানযোগ্য হ'ব -

> *"সোণালী সপোন'ৰ সৃষ্টিময় কবিতাৰ মাজত প্ৰকাশ পাইছে সৌন্দৰ্যানুভূতি, অশৰীৰী প্ৰিয়াৰ ৰূপ কল্পনা, প্ৰেমৰ আতিশয্যা আৰু সপোনৰ সন্মোহন অৱস্থাৰ ৰূপ।"*[১৮]

লক্ষ্মীনাথ ফুকন আছিল চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত লোক। গতিকে তেওঁৰ কবিতাত ৰোমাণ্টিক ভাৱাদৰ্শ প্ৰকাশ পোৱাটো স্বাভাৱিক। সেইবাবে হয়তো হেম বৰাই লক্ষ্মীনাথ ফুকনৰ কবিতা প্ৰসঙ্গত এনেদৰে ক'বলৈ বাধ্য হৈছে -

---

১৭। লক্ষ্মীনাথ ফুকন, 'পাতনি', সোণালী সপোন

১৮। নন্দ তালুকদাৰ, 'লক্ষ্মীনাথ ফুকনৰ কবিতা', পূৰ্ব উল্লিখিত গ্ৰন্থ, সম্পা., উপেন্দ্ৰ বৰকটকী, পৃ. ১০৮

*"লক্ষ্মীনাথ ফুকনৰ কবিতাৰ লক্ষণীয় গুণ হ'ল ইয়াৰ সাৱলীল ছন্দ মাধুৰ্য। ভাষাৰ প্ৰকাশিকা শক্তিয়ে যেন সোণত সুৱগা চৰাই গৈছে। ছন্দ-সজ্জাতো নিজস্ব ধাৰণা প্ৰকট হৈ পৰিছে আৰু ই মৰ্মস্পৰ্শী হৈ উঠিছে।"*[১৯]

এনে মতামতবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে, লক্ষ্মীনাথ ফুকন সমসাময়িক আন বহুজনৰ দ্বাৰা প্ৰশংসিত কবি আছিল। দেৱকান্ত বৰুৱাৰ দৰে মাত্ৰ এখন কাব্যগ্ৰন্থেৰে কবি হিচাপে প্ৰতিষ্ঠা পোৱা কথাটো এই ক্ষেত্ৰত মনকৰিবলগীয়া। তেওঁৰ কাব্যচৰ্চা পৰৱৰ্তী পৰ্যায়তো অব্যাহত থাকিলে অসমীয়া কাব্য সাহিত্যই হয়তো আৰু বহু উন্নত কবিতা লাভ কৰিলেহেঁতেন। তথাপি, তেওঁৰ দ্বাৰা ৰচিত বুলি যিকেইটা কবিতা পোৱা গ'ল; সেই কেইটাৰ হিচাপেৰে লক্ষ্মীনাথ ফুকনে আজিও কাব্য সাহিত্যত যথোচিত মান পোৱাৰ যোগ্যতা অক্ষুন্ন ৰাখিছে।

### ১.৩.৩ উপন্যাস

অসমীয়া সাহিত্যৰ বৰ্ণনাবহুল শাখাটোৱে হ'ল উপন্যাস। উক্ত দিশতো লক্ষ্মীনাথ ফুকনৰ সৃষ্টিশীলতাৰ ছাপ বৰ্তমান। তেওঁৰ দ্বাৰা ৰচিত বুলি প্ৰাপ্ত প্ৰথম উপন্যাস হ'ল 'নিশাৰ পুৱতি সুৰ' (১৯৭৩ চনৰ ১৫ জুলাই)। এই উপন্যাসখন ১৯৭২ চনৰ বিহু সংখ্যাতে প্ৰকাশ পাইছিল যদিও বৰ্তমান প্ৰাপ্ত গ্ৰন্থখনৰ যিটো নিটোল ৰূপ, সেয়া পূৰ্বৰখনৰ মাজে-মাজে অদল-বদল কৰি আৰু আটাইকেইটা অধ্যায় নতুনকৈ সংযোগ কৰি দিয়া পুথি ৰূপহে। উপন্যাসখনৰ প্ৰকাশক গুৱাহাটীৰ নলিনী প্ৰকাশ; কিন্তু ছপাকৰণ আছিল কলিকতাৰ নৱজীৱন প্ৰেছ। 'নিশাৰ পুৱতি সুৰ' উপন্যাসখনত লক্ষ্মীনাথ ফুকনে এটি নিটোল কাহিনীৰ ৰূপদান কৰিছে। অসমৰ গ্ৰাম্য জীৱনৰ এখনি সঁচা চিত্ৰ ইয়াত মূৰ্তমান হৈ উঠিছে। সমান্তৰালভাৱে আকৌ আধা সামন্তবাদী আৰু আধা বুৰ্জোৱা শোষণমুখী সমাজ এখনৰ স্বৰূপো ইয়াত প্ৰতিফলিত হৈছে। এই ক্ষেত্ৰত প্ৰফুল্ল চন্দ্ৰ বৰাৰ মত প্ৰণিধানযোগ্য—

*"নিশাৰ পুৱতি সুৰ' লক্ষ্মীনাথ ফুকনৰ এক সাৱলীল কাহিনীযুক্ত মনোৰম সুখপাঠ্য উপন্যাস। পাৰিবাৰিক, সামাজিক জীৱনৰ কাহিনী অন্তস্পৰ্শীভাৱে তেওঁ উপস্থাপন কৰিছে। ৰমন্যাসিক ভাবাদৰ্শৰ কবি আৰু কথাশিল্পীজনে এই উপন্যাসতো ঘটনাক্ৰমত আদৰ্শবাদিতা প্ৰদৰ্শন কৰিছে। ঘাইকৈ গ্ৰাম্য জীৱনৰ*

১৯। হেম বৰা, 'লক্ষ্মীনাথ ফুকনৰ কবিতা', লক্ষ্মীনাথ ফুকন জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ্য, সম্পা., প্ৰফুল্ল চন্দ্ৰ বৰা, পৃ.- ৯৩

*পটভূমিত ৰচিত এই উপন্যাসত নিম্ন মধ্যবিত্তৰ গতিবিধি আৰু সমাজৰ নিঃস্ব চৰিত্ৰবোৰৰ আশা-বাসনা আৰু চৰম দুৰ্দশাক ৰূপায়িত কৰিছে।"*[২০]

উপন্যাসখনৰ সকলোবোৰ চৰিত্ৰ কল্পনাপ্ৰসূত তথা মৌলিক। গ্ৰন্থখনিৰ আৰম্ভণিতে লক্ষ্মীনাথ ফুকনে এই কথা স্বীকাৰ কৰিছে। অৱশ্যে, আদৰ্শবাদী দৃষ্টিভঙ্গীৰ হেঁচাত পৰি উপন্যাসখনৰ চৰিত্ৰবোৰে বাস্তৱতাৰ সীমা অতিক্ৰম কৰিছে। সুবিধা বুজি আজলী চৰিত্ৰৰ মাজত অসাধাৰণত্ব, মাতৃত্ববোধ আৰু ক্ষমাশীল উদাৰতাৰ চিত্ৰ আঁকি ঔপন্যাসিকে মানৱীয় গুণবোৰৰ শ্ৰেষ্ঠত্ব দেখুৱাইছে। ইয়েই আকৌ 'নিশাৰ পুৱতি সুৰ' উপন্যাসখনক ৰসাল সাহিত্য কৃতি হিচাপে প্ৰতিষ্ঠা দিছে। ইমদাৎ উল্লাহৰ মত এই ক্ষেত্ৰত প্ৰণিধানযোগ্য --

> *"শ্ৰীফুকনে এই কাহিনীৰ পৰিৱেশ সৃষ্টি কৰাত অসমীয়া সমাজ জীৱনৰ যি বাস্তৱধৰ্মী ছবি আঁকিছে সেইদৰে কাহিনীৰ ভাষাৰ ক্ষেত্ৰতো খাটী অসমীয়া বচনভঙ্গীৰ পৰিচয় দিছে। সুক্ষ্ম ব্যঙ্গ, সুৰুচি সম্মত হাস্যৰস, সংযত বৰ্ণনাভঙ্গী আৰু উদাৰপন্থী মানৱীয় দৃষ্টিভঙ্গীয়ে তেখেতৰ এই নাতিদীৰ্ঘ উপন্যাসখনক ৰসাল কৰি তুলিছে।"*[২১]

জীৱনৰ বাবে কলা নে কলাৰ বাবে কলা - এই ক্ষেত্ৰত লক্ষ্মীনাথ ফুকন স্পষ্টভাবেই জীৱনৰ বাবে কলাৰ সাধক। 'নিশাৰ পুৱতি সুৰ' উপন্যাসখনিয়েও এই কথাকে প্ৰমাণ কৰিছে। উপন্যাসখন গ্ৰাম্য জীৱনৰ এক দলিল হ'ব পৰাৰ সমলেৰে ভৰপূৰ। এই সমলে উপন্যাসখনক শ্ৰেষ্ঠ উপন্যাসৰ শাৰীত স্থান দিয়াব পাৰিছে।

লক্ষ্মীনাথ ফুকনৰ দ্বিতীয় এখন উপন্যাস হ'ল 'বাপুকণ' (১৯৮৭)। 'অসমবাণী'ত প্ৰকাশিত এইখন এখন শিশু উপন্যাসহে। পুথিৰূপ দিয়াৰ সময়ত বাপুকণৰ ভালেখিনি পৰিৱৰ্তন আৰু পৰিমাৰ্জন কৰা হৈছে। এই কথা ঔপন্যাসিকে 'প্ৰকাশকৰ নিবেদন'ত নিজে ব্যক্ত কৰিছে। এখন গাঁৱৰ সৰল লোক জীৱন চিত্ৰই উপন্যাসখনিৰ মুখ্য আকৰ্ষণ। লগে লগে শিশুৰ স্বভাৱ-চৰিত্ৰ, আচাৰ-আচৰণ আদিকো বিভিন্ন কাৰ্যৰ মাজেদি ঔপন্যাসিকে 'বাপুকণ'ত চিত্ৰিত কৰিছে। শিশুৰ মানৱীয় আৰু বাহ্যিক অৱস্থাৰ চিত্ৰনেৰে উপন্যাসখনিত পুৰণি গাঁৱত প্ৰচলিত শব্দ আৰু জতুৱা

---

২০। প্ৰফুল্ল চন্দ্ৰ বৰা, 'ঔপন্যাসিক লক্ষ্মীনাথ ফুকন', উল্লিখিত গ্ৰন্থ, সম্পা., প্ৰফুল্ল চন্দ্ৰ বৰা, পৃ. ১০৩

২১। ইমদাদ উল্লাহ, 'নিশাৰ পুৱতি সুৰ', লক্ষ্মীনাথ ফুকন সোঁৱৰণী গ্ৰন্থ, সম্পা., উপেন্দ্ৰ বৰকটকী, পৃ. ১২৪

ঠাঁচ আদি অকৃত্রিম প্ৰকাশভঙ্গীৰে উপস্থাপন কৰিব পৰাটো এইক্ষেত্ৰত প্ৰশংসনীয়। ক'ব পাৰি যে এয়াই লক্ষ্মীনাথ ফুকনৰ উপন্যাসখনৰ সাৰ্থকতা। *"অনুসন্ধিৎসু পাঠকে এই উপন্যাসৰ যোগেদি বহু দিনৰ আগতেই এৰি অহা এখন গাঁৱৰ সম্যক চিত্ৰ এখনো ইয়াত প্ৰত্যক্ষ কৰিব।"*[২২] দৰাচলতে, ফুকনৰ ভাষাৰ সাৱলীলতাই 'বাপুকণ'ৰ পঠন সুখকৰ কৰি তুলিছে।

**১.৩.৪ আত্মজীৱনীমূলক ৰচনা**

লক্ষ্মীনাথ ফুকনে আত্মজীৱনীমূলক ভঙ্গীৰে মাত্ৰ এখন গ্ৰন্থ লিখিছে। পোন্ধৰগৰাকী বিশেষ ব্যক্তিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি (১৯৫৯ চনৰ ৫ নবেম্বৰ) লিখা এই গ্ৰন্থখনৰ নাম হ'ল 'মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ'। গ্ৰন্থখনিৰ দ্বিতীয় (১৯৯১) বৰ্দ্ধিত সংস্কৰণত 'তৰুণৰাম ফুকন' শীৰ্ষক লেখা এটা সংযোজন কৰিছে। উল্লেখ্য যে, এই গ্ৰন্থখনৰ জৰিয়তে ফুকনে ১৯৭১ চনত সাহিত্য অকাডেমী পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। 'মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ' গ্ৰন্থখনি 'মহাত্মা গান্ধী' শীৰ্ষক লেখাৰে আৰম্ভ কৰি 'তৰুণৰাম ফুকন' শীৰ্ষক লেখাৰে সামৰণি মাৰিছে। গ্ৰন্থত উল্লেখ থকা প্ৰতিগৰাকীৰ সতে তেওঁৰ ব্যক্তিগত সম্পৰ্কৰ কথাবোৰে গ্ৰন্থখনিৰ অন্তৰ্ভাগত স্থান লাভ কৰিছে। মন কৰিবলগীয়া যে ইয়াৰ প্ৰত্যেকগৰাকী ব্যক্তিয়েই ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা বিংশ শতিকাৰ আৰম্ভণিৰ সময়খিনিত জন্ম লাভ কৰা। আনহাতে, প্ৰত্যেকগৰাকীয়েই অসমৰ ভাষা, সাহিত্য, ব্যৱসায় , উদ্যোগ, ৰাজনীতি, শিক্ষা আদি ক্ষেত্ৰসমূহত নিজৰ প্ৰতিভা আৰু দক্ষতাৰ চিহ্ন ৰাখিবলৈ সক্ষম হোৱা ব্যক্তি। মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুক বাদ দি অসমীয়াই গৌৰৱ কৰিব পৰা এই ব্যক্তিসকল হ'ল - লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, নবীন চন্দ্ৰ বৰদলৈ, ভোলাৰাম বৰুৱা, ৰাধানাথ চাংকাকতী, সত্যনাথ বৰা, বাণীকান্ত কাকতি, গোবিন্দ বেজবৰুৱা, শিৱপ্ৰসাদ বৰুৱা, সূৰ্যকুমাৰ ভূঞা, পাৰ্বতী প্ৰসাদ বৰুৱা, ৰত্নকান্ত বৰকাকতি, সোমেশ্বৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু তৰুণৰাম ফুকন আদি। এই মনিষীসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদনে লক্ষ্মীনাথ ফুকনৰ দ্বাৰা 'মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ' ৰচনাৰ মূল উদ্দেশ্য।

'মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ' গ্ৰন্থখনত সন্নিবিষ্ট ৰচনাসমূহ বিংশ শতিকাৰ ষাঠীৰ দশকত লিখা। জীৱনৰ পৰিণত বয়সত লিখা বুলিয়েই ৰচনাসমূহ লিখকৰ ব্যক্তিগত উত্তাপেৰে ভৰ্ পূৰ্।

---

২২। প্ৰফুল্ল চন্দ্ৰ বৰা, সম্পা., পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ১০৬

অৰশ্যে, ৰচনাসমূহৰ *“কতো মেদবহুল হোৱা নাই, বৰং অনেক সময়ত ইংগিতধৰ্মী হৈয়ো সৰস আৰু জীৱন্ত”।*[২৩] এই গ্ৰন্থখন আত্মজীৱনীমূলক নে আন কিবা এই প্ৰসঙ্গত কিছু মতভেদ লক্ষ্য কৰা যায়। প্ৰসঙ্গতঃ নগেন শইকীয়াই আত্মজীৱনীমূলক বোলাৰ বিপৰীতে যোগেন্দ্ৰ নাৰায়ণ ভূএগ্রাই ‘মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ’ গ্ৰন্থখনক আত্মজীৱনীমূলক বুলিব খোজা নাই। আচলতে, কোনো এখন গ্ৰন্থক জীৱনীমূলক, আত্মজীৱনীমূলক, স্মৃতিকথা আদি অভিধাৰে বুজিবলৈ হ’লে সেই গ্ৰন্থখনতে উক্ত অভিধাৰ বাবে সুবিধা থাকিব লাগিব। দেখা যায় যে লক্ষ্মীনাথ ফুকনৰ ‘মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ’ গ্ৰন্থখনত উক্ত সুবিধাসমূহ বহুখিনি অস্পষ্ট। লেখকেও গ্ৰন্থখন ‘আত্মজীৱনীমূলক ভঙ্গীৰে’ লেখা বুলিহে উল্লেখ কৰিছে। গতিকে, বিষয়বস্তু উপস্থাপনৰ দিশলৈ লক্ষ্য কৰি যোগেন্দ্ৰ নাৰায়ণ ভূএগ্রাৰ মত এইখিনিতে প্ৰণিধাণযোগ্য --

> *“আমাৰ বোধেৰে ‘মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ’ অসমীয়া সাহিত্যত এখন নতুন ধৰণৰ গ্ৰন্থ অন্ততঃ বক্তব্য বিষয়ৰ উপস্থাপনৰ দিশৰ পৰা।”*[২৪]

যা হওঁক, এটা কথা স্পষ্ট যে ‘মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ’ গ্ৰন্থখন হ’ল ওঠৰগৰাকী ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাৰ এক নৈবেদ্য। ব্যক্তিগতভাৱে লগ পোৱা প্ৰত্যেকগৰাকী ব্যক্তিৰ যিবোৰ কথাই লক্ষ্মীনাথ ফুকনক আকৰ্ষিত কৰিছিল; সেইবোৰৰ বিৱৰণহে উক্ত গ্ৰন্থত তেওঁ দাঙি ধৰিছে। সেই দিশৰ পৰা নগেন শইকীয়াই কোৱা ধৰণে গ্ৰন্থখনক প্ৰতীতীবাদী (Expressionistic) ৰচনা বোলাৰ যুক্তি আছে। লক্ষ্মীনাথ ফুকনে গ্ৰন্থখনত এটা প্ৰবন্ধও নিজৰ বিষয়ে লিখি সন্নিবিষ্ট কৰা নাই। তথাপি নিৰ্দ্দিষ্ট ব্যক্তিসকলৰ প্ৰসঙ্গত কৰা বক্তব্যৰ মাজেৰেই তেওঁ সমগ্ৰ গ্ৰন্থখনতে বিয়পি আছে। সাংবাদিকতা আৰু শিক্ষকতাৰ সময় বিশেষে লক্ষ্মীনাথ ফুকনে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিৰ সান্নিধ্য লাভ কৰিছিল। সেই ব্যক্তিসকলৰ সৈতে তেওঁৰ সম্পৰ্কৰ মধুৰ স্মৃতিয়ে ‘মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ’ গ্ৰন্থখনিক উজ্জীৱিত কৰি ৰাখিছে।

### ১.৩.৫ অনুবাদ সাহিত্য আৰু প্ৰবন্ধ

লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত লেখত ল’বলগীয়া অনুবাদ সাহিত্য নাই বুলিব পাৰি।

---

২৩। নগেন শইকীয়া, ‘মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ’, উল্লিখিত গ্ৰন্থ, সম্পা., প্ৰফুল্ল চন্দ্ৰ বৰা, পৃ. ৬৭

২৪। যোগেন্দ্ৰ নাৰায়ণ ভুএগ্রা, ‘মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ’, পূৰ্ব উল্লিখিত গ্ৰন্থ, সম্পা. উপেন্দ্ৰ বৰকটকী, পৃ. ১২৬

তাৰ মাজতে কৃষ্ণকান্ত সন্দিকৈৰ নেৰানেপেৰা চেষ্টাৰ ফলত মোপাছাঁৰ 'নেকলেছ' নামৰ গল্পটো 'এধাৰ মণি' নামেৰে অনুবাদ কৰাৰ কথা জানিব পৰা যায়। আকৌ তেওঁ নিজে উল্লেখ কৰা মতে, কেইটামান স্পেইন দেশীয় আৰু অন্যান্য কবিতা ইংৰাজীৰ পৰা অনুবাদ কৰিছিল; কিন্তু সংৰক্ষণৰ অভাৱত বিচাৰিলেও সেইবোৰ আজি পাবলৈ নোহোৱা যেন হৈছে। কৃষ্ণকান্ত সন্দিকৈয়ে দেখুৱাই দিয়া 'ইম্পেৰিয়েল লাইব্ৰেৰী'ত বহিয়ে লক্ষ্মীনাথ ফুকনে জীৱনৰ প্ৰথমটো প্ৰবন্ধ 'মানৱৰ অধিকাৰ' (Rights of Human) লিখি উলিয়াইছিল। গভীৰ অধ্যয়নৰ প্ৰমাণ বহন কৰা উক্ত প্ৰবন্ধটো কলিকতাৰ আগশাৰীৰ ইংৰাজী কাকত 'ইষ্ট এণ্ড ওৱেষ্ট'খনত প্ৰকাশ হৈছিল। উল্লেখ্য যে এই প্ৰবন্ধটোৰ যোগেদিয়ে তেওঁ কলিকতাৰ সাংবাদিক মহলত চিনাকি হোৱাৰ সুবিধা পাইছিল। ইয়াৰ উপৰিও কলিকতাৰ আন দুই এখন সংবাদপত্ৰত তেওঁ প্ৰবন্ধ লিখাৰ কথা জনা যায়; কিন্তু দুখৰ কথা এই প্ৰবন্ধবোৰ আজি পাবলৈ নোহোৱা হৈছে। প্ৰবন্ধবোৰ নিশ্চয়কৈ তেওঁৰ ভাষাজ্ঞান আৰু অভিজ্ঞতাৰ নিদৰ্শন স্বৰূপ আছিল। বৰ্তমান দুষ্প্ৰাপ্য এই প্ৰবন্ধবোৰ তেতিয়াৰ 'ইষ্ট এণ্ড ওৱেষ্ট', 'মদাৰ্ণ ৰিভিউ', 'ইণ্ডিয়ান ৰিভিউ', 'প্লেটাৰ্ণ জাৰ্ণেল', 'আসাম ৰিভিউ', 'আলোচনী', 'ঊষা', 'বাঁহী', 'মিলন', 'আৱাহন', 'ৰামধেনু', 'তৰুণ অসম', 'নতুন অসমীয়া', 'দৈনিক অসম' আদিকে ধৰি প্ৰায় প্ৰতিখন আগশাৰীৰ কাকতত প্ৰকাশ হৈছিল। বহু তথ্য নিৰ্ভৰ আৰু বস্তুনিষ্ঠ এই প্ৰবন্ধবোৰৰ কোনো সংকলন আজি বিচাৰিলে সহজে পাবলৈ টান। সেয়েহে অসমীয়া গদ্য সাহিত্যৰ বাবে এয়া আজি ডাঙৰ ক্ষতি হিচাপে বিবেচিত হৈছে।

লক্ষ্মীনাথ ফুকন মূলতঃ কৰ্মযোগী আছিল। বঁটা-বাহনৰ প্ৰতি তেওঁৰ বৰ ৰাপ নাছিল বুলিব পাৰি। তথাপি, জীৱন কালত তেওঁ সাহিত্য কৃতিৰ মান নিৰ্ণায়ক দুটা বঁটা লাভ কৰিছিল। তাৰে এটা আছিল 'মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ' গ্ৰন্থৰ বাবে ১৯৭১ চনত প্ৰাপ্ত 'সাহিত্য অকাডেমী বঁটা' আৰু আনটো হ'ল ১৯৭৪ চনত 'অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন'। আজিৰ দিনৰ হোৱা হ'লে লক্ষ্মীনাথ ফুকনে বঁটা-বাহন আৰু কিছু পালেহেঁতেন; কিন্তু সেই সময়ৰ কথা অলপ সুকীয়া আছিল। আনহাতে বহু আহ্বান সত্বেও তেওঁ অসম সাহিত্য সভাৰ সভাপতিৰ পদ প্ৰত্যাখ্যান কৰিছিল। প্ৰতিদ্বন্দ্বিতাৰ যোগেদি সভাপতি হ'ব লগা কথাটোৱে তেওঁক এই আহ্বান প্ৰত্যাখ্যানৰ মৌলিক সাহস দিছিল। এই সাহস এটা অভ্যাসত পৰিণত হোৱা বাবে লক্ষ্মীনাথ ফুকনে কোনো কথাতে আপোচ কৰা নাছিল। এগৰাকী সত্যদ্ৰষ্টা সাংবাদিক হিচাপে কৰ্ম কৰাৰ

প্ৰতিহে তেওঁ আগ্ৰহী আছিল। সঁচা কৰ্মযোগী আছিল বাবেই সাংবাদিক হিচাপে তেওঁ ৰজাঘৰলৈ কেতিয়াও ভয় কৰা নাছিল ; বৰং ৰজাঘৰেহে তেওঁলৈ ভয় কৰিবলগীয়া পৰিস্থিতি হৈছিল। কাকত সম্পাদনা বা সাহিত্য ৰচনাৰ ক্ষেত্ৰতে কেৱল নহয়; দৈনন্দিন সকলো কৰ্মতে লক্ষ্মীনাথ ফুকন আপোচহীন অছিল। এই গুণৰ বাবে তেওঁ সমসাময়িক বা পৰৱৰ্তী সকলোৰে মাজত 'হিৰো'ৰ স্থান লাভ কৰিছিল। দায়িত্ব পালনৰ প্ৰতি তেওঁৰ যেনে আগ্ৰহ আৰু সচেতনতা ; কৰ্মবিমূখিতাৰ প্ৰতি তেনেদৰে বিতৃষ্ণা আৰু বিদ্বেষ আছিল। ব্যক্তিগতভাৱে তেওঁ লাভ কৰা ভিন্নমুখী অভিজ্ঞতাসমূহে ইয়াৰ মূল কাৰণ। আনহাতে এই অভিজ্ঞতাৰ ভিন্নতাই তেওঁক এগৰাকী আপোচহীন, নিষ্ঠাবান সংবাদকৰ্মী হিচাপে গঢ় দিছিল। সচেতনভাৱে পাতল সাংবাদিকতাৰ তেওঁ পৰিপন্থী আছিল। প্ৰকৃত ঘটনা (fact) ৰ ওপৰত ৰহন সনা কাৰ্যক তেওঁ অপৰাধ জ্ঞান কৰিছিল। এনে অপৰাধৰ পৰা সদায় বিৰত থাকিব বিচৰা কথাটোৱে তেওঁক অধিক আপোচহীন কৰি তুলিছিল। তেতিয়াৰ অসম চৰকাৰৰ সতে হোৱা সংঘাতৰ কাৰণো আছিল এই আপোচহীনতা। আনকি 'চৰকাৰী বিজ্ঞাপন' বন্ধ হোৱাৰ পিছতো আত্মনীতি ত্যাগ নকৰি লক্ষ্মীনাথ ফুকনে প্ৰখৰ সমালোচনাৰে নিজৰ অভিযান অব্যাহত ৰাখিছিল। কোনো ব্যক্তিগত সম্পৰ্ক বা তোষামোদক তেওঁ সদায় অগ্ৰাহ্য কৰিছিল। অভিযোগৰ সুৰত পাঠকৰ পৰা অহা টেলিফোনৰ উত্তৰ তেওঁৰ ফালৰ পৰা পোনপতীয়া আছিল । সম্পাদকৰ দৃঢ়তাৰে তেওঁ কৈছিল যে *"আসাম ট্ৰিবিউনৰ অফিচটো বাতৰি তৈয়াৰ কৰা কাৰখানা নহয়। আপোনাৰ কবলগীয়া আছে লিখি পঠাওক। উচিত বুলিলে প্ৰকাশ কৰিম।"*[২৫] মনৰ এনে দৃঢ়তাই ফুকনৰ সংবাদ কৰ্ম আৰু সাহিত্য কৰ্মক স্বকীয় বৈশিষ্ট্য প্ৰদান কৰিছিল।

✦✦✦✦

২৫। নৰেশ ৰাজখোৱা, 'লক্ষ্মীনাথ ফুকনৰ সান্নিধ্যত', পূৰ্ব উল্লিখিত গ্ৰন্থ, সম্পা., প্ৰফুল্ল চন্দ্ৰ বৰা, পৃ. ৪১